
প্ৰাণীবিজ্ঞান বিভাগৰ হাতেলিখা আলোচনী

প্ৰথম সংস্কৰণ

GARGAON COLLEGE
ESTD - 1959

নৱপ্ৰজন্মৰ বাবে নতুন পৃথিৱী গঢ়া মানসেৰে...

# কুৰেৰোক্ষিয়াং




সম্পাদিকা
স্নেহা শেনচোৱা

সহ: সম্পাদিকা
লাকী ৰাজকুমাৰী

# উন্মোচকৰ

## স্বাক্ষৰ

অফুৰন্ত শুভ কামনাৰে —

[illegible]
০৩/১০/২০২৪

# কোৰেৰেঞ্চিয়া

নৱপ্ৰজন্মৰ বাবে এখন নতুন পৃথিৱী গঢ়া আনমেৰে.....
প্ৰাণীবিজ্ঞান বিভাগৰ প্ৰথমখন হাতেলিখা আলোচনী

GARGAON COLLEGE
ESTD-1959

সম্পাদিকা
স্নেহা সোনচোৱা
সহ : সম্পাদিকা
লাকী ৰাজকুমাৰী

# বিভাগীয় সমবেত সংগীত

কথা : বেদুৰিব গগৈ
সুৰ : দেৱ হাজৰিকা

গড়গাঁও গড়গাঁও জ্ঞানৰ ৰহঘৰা
ৰঙীণ সপোন দিঠকত বিচৰা,
চিৰলীয়া মৌ প্ৰজাতি
আমি মৌ প্ৰজাতি।

অধ্যয়নেই আমাৰ ধ্যান
কঠোৰ শ্ৰমে আনে মান
সমৃদ্ধ কৰিম জ্ঞানৰ সঁফুৰা
গঁথানি গঁথানি মৌ কাঢ়িয়াই,
গড়গাঁৱৰ পৰা,

সেউজী ধৰণী আমাৰ কাম্য
বিচাৰিছোঁ জগতৰ সাম্য
প্ৰকৃতিৰ ৰং আনি
তৰুৱে দিয়ে বাণী
বুকুতে সাৰটি যাওঁ আগুৱাই
গড়গাঁৱৰ পৰা।

# উচৰ্গা



আহিনৰ সুঘ্ৰাণ, সুৰসনা কোমল শেৱালি জাৰেণত বিদায়ৰ কোনো এক বিষণ্ণ ক্ষণতেই জোনৰ মুকুতা সামৰি প্ৰভাৰ সাধনাৰে অক্লান্ত ভাৱে পোহৰ বিলাই যোৱা ড° বীণা সন্দিকৈ বাইদেউ নামত "কুঁৱেৰেঙ্কিয়া" হাতেলিখা আলোচনী প্ৰথম সংস্কৰণটি উচৰ্গা কৰিলো।

# শ্ৰদ্ধাঞ্জলি



ড° এম এচ স্বামীনাথন
জন্ম : ৭ আগষ্ট, ১৯২৫
মৃত্যু : ২৮ ছেপ্টেম্বৰ, ২০২৩

সেউজ বিপ্লৱৰ পিতৃ তথা ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মানেৰে বিভূষিত, ২০২৪ বৰ্ষৰ ভাৰতৰত্ন এম এচ স্বামীনাথনদেৱলৈ "কুৰেৰেক্সিয়া" পৰিয়ালবৰ্গৰ তৰফৰ পৰা গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

# অভিনন্দন




অৱনি লেখাৰা

পেৰালিম্পিকত দুটাকৈ স্বৰ্ণপদক লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা বিজেয়ী ভাৰতৰ সুকন্যা অৱনি লেখাৰালৈ "কুৰেৰেক্ৰিয়া" পৰিয়ালবৰ্গৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো ।

# গড়গাঁও মহাবিদ্যালয়

স্থাপিত : ১৯৫৯ চন, শিমলুগুৰি, শিৱসাগৰ, অসম

তাং: ২৮/০৯/২০২৪



## শুভেচ্ছাবাণী

ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ শিক্ষাৰ্থীসকলে হাতে লিখা আলোচনী 'কোৱাৰেঙ্কিয়া'ৰ প্ৰথম সংখ্যাটি প্ৰকাশৰ দিহা কৰা বুলি জানিব পাৰি নথৈ আহ্লাদিত হৈছো । এখন মহাবিদ্যালয়ৰ এটা বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ এনে ধৰণৰ সৃষ্টিশীল বৌদ্ধিক কচৰতে কেৱল যে সাহিত্য-সংস্কৃতি চৰ্চাৰ ক্ষেত্ৰতেই অৰিহণা যোগায় এনে নহয়, আচলতে এনে প্ৰচেষ্টাই উত্তৰ প্ৰজন্মৰ সৃষ্টিশীল প্ৰতিভা কৰ্ষণ আৰু উৎকৰ্ষ সাধনৰ দিশতো উল্লেখনীয় অৱদান আগবঢ়ায় । প্ৰাণী বিজ্ঞান বিভাগৰ শিক্ষাৰ্থী তথা শিক্ষকবৃন্দৰ এনে সজ প্ৰয়াসে সাহিত্য চৰ্চাৰ ক্ষেত্ৰখন জীপাল কৰি তুলিব বুলি আশা কৰিব পাৰি ।

প্ৰাণী বিজ্ঞান বিভাগৰ এই প্ৰচেষ্টা নিৰৱচ্ছিন্ন হওক ।

আন্তৰিক শুভ কামনাৰে -

(ড° সব্যসাচী মহন্ত)
অধ্যক্ষ, গড়গাঁও মহাবিদ্যালয়

অধ্যক্ষ
গড়গাঁও মহাবিদ্যালয়
শিমলুগুৰি, শিৱসাগৰ, অসম

# সম্পাদনাৰ নেপথ্যত

সম্পাদক : স্নেহা সোনচোৱা

সহ : সম্পাদক : লাকী ৰাজকুমাৰী

বেটুপাত : শিখা চুতীয়া

অলংকৰণ : শিখা চুতীয়া,
জেছি, প্ৰিয়াঙ্কী, ঈশ্বৰ, পাহি, অংকিতা,
ৰেইনীকা, খুচবু, মুস্কান

অনুলেখন : গায়ত্ৰী আৰক্ষৰা, অনন্যা কোঁৱৰ,
লাকী, সুচিত্ৰা

সদস্য : অন্বেষা, মিন্টু, যুক্তাসুখী, কুইন, নিশিতা,
নন্দিনী, আত্মা, ডলী, জোনালী, উপেন্দ্ৰ
নিৰঞ্জন, অমৃত, শ্ৰীমান্ত, চুমী, অংকিতা
আৰু প্ৰাণীবিজ্ঞান বিভাগৰ সমূহ ছাত্ৰ-ছাত্ৰী

# বিভাগীয় প্ৰতিনিধিৰ একলম

"ঢেউ লগা নৈ : শব্দৰ আঁজলে পানী ফালি ফালি
শব্দ কৰি আগবাঢ়িছিল আমাৰ গাঁও
অৱশেষত ধুমুহা বৰষুণ নোলোৱা উপত্যকাটোৰ
নীলা পতাকা আমাৰ চকুত জিলিকি উঠিছিল।"

এখন বিভাগীয় আলোচনী বিভাগৰ দাপোণ। ই হ'ল এজন সাহিত্যিকৰ প্ৰাথমিক প্ৰচেষ্টাৰ আভাস। ভৱিষ্যতৰ সপোন বাস্তৱত ৰূপায়িত কৰাৰ মানসিকতা, চিন্তা-চৰ্চাৰ স্বাক্ষৰ ধৰি ৰখাৰ ই হ'ল এক জীৱন্ত দলিল। শিক্ষক-ছাত্ৰৰ সমন্বয়ত গঢ়ি উঠা এখন আলোচনী এখন বিভাগৰ বাবে একো একোটা উজ্জ্বল নক্ষত্ৰস্বৰূপ। সৃষ্টিশীলতা যিকোনো ব্যক্তিৰ দ্বাৰা যিকোনো সময়ত যিকোনো মাধ্যমেৰে উদ্ভৱ হ'ব পাৰে। উপযুক্ত সময়ত ইয়াক আৱিষ্কাৰ কৰি পৰিপুষ্টি প্ৰদান কৰিব পাৰিলে ই সমাজৰ হিতকাৰী হৈ পৰে। আজিৰ সামাজিক ৰাজনৈতিক প্ৰেক্ষাপটত সৃষ্টিশীল মানসিকতাৰ একত্ৰীকৰণৰ মাধ্যমেৰে দেশৰ-দহৰ অৰ্থপূৰ্ণ উপযোগিতা আহৰণ কৰাটো এক গুৰুত্বপূৰ্ণ বিষয়ৰূপে পৰিগণিত হৈছে। সম্পাদনা সমিতিৰ সদস্যসকলে শিক্ষক আৰু ছাত্ৰ-সমাজৰ দ্বাৰা চিন্তাশীল লেখক-লেখিকাসকলক একেখন মঞ্চত একত্ৰিত কৰি প্ৰগতিৰ গতিত এক অনন্য মাত্ৰা প্ৰদান কৰিছে।

'কোৱাৰেক্সিয়া' আজেৰে প্ৰকাশ পাইছে বিভাগৰ সেন্দুৰৰ যুঁতি। প্ৰতিজনৰ যদি কেতিয়াবা কেইটামান শব্দ, কেইখনমান ছবি হৈ প্ৰকাশ পায় তাত আলো বোঁৱাৰ উৎস থাকিব পাৰে। 'কোৱাৰেক্সিয়া'ত অজস্ৰ সপোন ফুলিছে। কোনোবা দিনৰ ৰঙিন হৈ কোমলাবাজনৰ গন্ধ হৈ কাৰোবাৰ

হয়তো প্ৰবন্ধ হ'ব। 'কোৱাৰেক্কিয়া'ই হৈ পাৰিছিল বন্য প্ৰজাক পক্ষীৰ জিৰণী পাৰৰ নগৰী। বিদ্যালয়ৰ প্ৰথম, নতুন উৎসাহ লৈ সজাই তোলা এই 'আলোচনীখন' লৈ যে কিমান আবেগ, হেঁপাহ। 'কোৱাৰেক্কিয়া'ই কিছু ভিন্ন বিষয় উপস্থাপনেৰে জিলিকি উঠিব প্ৰয়াসেৰে আঁজি উঠিছে নতুন হাতৰ পৰশত। জ্ঞান, অনুভৱ, সত্য, প্ৰতিচ্ছবিৰে অঙ্কিত এই আলোচনীখন সফল হওঁক।

নতুনৰ আশাৰে, পুৰণিৰ স্মৃতিৰে জীপাল হওঁক আমাৰ 'কোৱাৰেক্কিয়া'।

নতুন হেঁপাহ নতুন উদ্যমেৰে আশীবিজ্ঞান বিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'কোৱাৰেক্কিয়া' উলিয়াবলৈ মানস কৰা হৈছে। এই মুখপত্ৰখনৰ লিখনিৰ ভবিষ্যতে যাতে সকলোৱে জ্ঞান অৰ্জন কৰি উন্নতিৰ শীৰ্ষত উপনীত হ'ব পাৰে সেয়ে মোৰ কামনা। যিসকলে এই মুখপত্ৰখনৰ বাবে লিখনি আগবঢ়াই মুখপত্ৰখন প্ৰস্তুত কৰাৰ সুবিধা দিলে, সেইসকলক মোৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। শেষত বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে বিদ্যালয়ৰ অগ্ৰজ, অনুজ, বন্ধুবৰ্গ 'কোৱাৰেক্কিয়া' সম্পাদনা সমিতিৰ বিষয়ববীয়া সকললৈ অশেষ ধন্যবাদ জনালোঁ। সন্মানপূৰ্বক শ্ৰদ্ধা তথা অকৃত্ৰিম মৰম আগবঢ়ালোঁ বিদ্যালয়লৈ।

মিনু বুঢ়াগোহাঁই
পঞ্চম ষাণ্মাসিক

# সূচীপত্ৰ


| বিষয় | নাম | পৃষ্ঠা নং |
|---|---|---|
| মহাবিদ্যালয়ৰ আলোচনী আৰু ইয়াৰ উপকাৰিতা | টুলুমণি বৰগোহাঁই | ১৪ - ১৫ |
| **বৈজ্ঞানিক প্ৰেক্ষাপট** | | |
| ↳ কোভিড - ১৯ | জেচিকা নাৰ্জাৰী | ১৭ - ১৮ |
| ↳ গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰত্যাহ্বান আৰু কৰণীয় | প্ৰিয়াঙ্কী গগৈ | ১৯ - 22 |
| ↳ 202৩ বৰ্ষৰ শৰীৰবিজ্ঞান আৰু চিকিৎসাবিজ্ঞানৰ নোবেল | গীতাঞ্জলী তেলি | 2৩ - 2৪ |
| **প্ৰবন্ধৰ শিতান** | | |
| ↳ আপৰলৈ কত দূৰ | জোনালী মহন্ত | 2৫ - 2৯ |
| ↳ সংগীতৰ সৈতে মোৰ যাত্ৰা | এলিমন বাইলুং | ৩০ - ৩১ |
| ↳ অসমৰ কিছুমান বিলুপ্তপ্ৰায় প্ৰজাতি | লাকী গগৈ | ৩২ - ৩৩ |
| ↳ সাপ সম্পৰ্কে প্ৰচলিত অন্ধবিশ্বাসসমূহ | নিশিতা পাটৰ | ৩৪ - ৩৬ |
| ↳ নাৰী তুমি অনন্যা | সুচিত্ৰা ঘৰফলীয়া | ৩৭ - ৩৮ |
| ↳ মাদকদ্ৰব্য আৰু সমাজত ইয়াৰ কু-প্ৰভাৱ | যুক্তামুখী মহন্ত | ৩৯ - ৪০ |
| **কবিতাৰ কৰণি** | | |
| ↳ কুঁৱলী | সুচিত্ৰা ঘৰফলীয়া | ৪২ |
| ↳ পূৰ্ণতা | ৰশ্মি বৰগোহাঁই | ৪৩ |

| | | |
|---|---|---|
| ↳ বন্ধুত্ব | আস্থাৰাণী বৰা | ৪৪ |
| ↳ বিষাদপ্ৰিয় হৃদয় | শিখা চুতীয়া | ৪৫ |
| ↳ এজোপা কৃষ্ণচূড়া | প্ৰতীক্ষা বৰা | ৪৬ |
| ↳ আগমন | গায়ত্ৰী আৱৰুৱা | ৪৭ |
| ↳ বৈৰাগ্য | বৰষা দুৱৰা | ৪৮ |
| ↳ মৃত্যু | নিবেদিতা মহন | ৪৯ |
| ↳ শেষ উশাহ | অনন্যা কোঁৱৰ | ৫০-৫১ |
| ↳ স্মৃতি | আকাংক্ষা বৰুৱা | ৫২ |
| ↳ আবেলিৰ ৰঙা কৃষ্ণচূড়া | ৰিণী আৰুদ্ধৰা | ৫৩ |
| ↳ অৱশেষ | এলিজন বাইলুং | ৫৪ |
| ↳ বুমুহা | অন্বেষা পাটৰ | ৫৫-৫৬ |


## অনুভৱৰ স্বৰ


| | | |
|---|---|---|
| ↳ কলেজীয়া জীৱনৰ প্ৰথম অভিজ্ঞতা | স্বাগতা বুঢ়াগোহাঁই | ৫৮ |
| ↳ স্মৃতিৰ টোপোলা | কনিষ্ঠ মিলি | ৫৯-৬০ |
| ↳ বন্ধুত আত্মীয়ৰ ঘৰলৈ যোৱাৰ সাদকথা | ময়ূৰাক্ষী ফুকন | ৬১-৬৩ |


## নীলাখামৰ চিঠি


| | | |
|---|---|---|
| ↳ প্ৰেয়সীলৈ একলম | নীলাভ কৌশিক কোঁৱৰ | ৬৫ |
| ↳ অ' জোন ওলাই আহাচোন... | গায়ত্ৰী আৱৰুৱা | ৬৬-৬৭ |


## চিত্ৰকলা


| | | |
|---|---|---|
| ↳ বিলুপ্তপ্ৰায় প্ৰাণী | উজ্জ্বল গগৈ | ৬৯ |
| ↳ ভাৰতত পোৱা বিভিন্ন প্ৰজাতিৰ পখিলাসমূহ | খুচবু ফাৰ্নাণ্ডি | ৭০ |
| ↳ আমৰ বিভিন্ন প্ৰজাতি | জেপি গগৈ | ৭১ |

# সম্পাদকীয়

ইতিহাসে গৰকা, ঐতিহ্য সমলে সমৃদ্ধ বুৰঞ্জীৰ পাতত সোণালী আখৰেৰে লিপিবদ্ধ হৈ থকা এখন ঠাই হৈছে গড়গাঁও। ঐতিহাসিক এই গড়গাঁৱৰ গড়াতেই স্বনামধন্য ব্যক্তি তথা বিদ্বসকলৰ ঐকান্তিক প্ৰচেষ্টাত প্ৰতিষ্ঠিত হৈছিল গড়গাঁও মহাবিদ্যালয়।

যান্ত্ৰিকতাৰে ভৰা এই পৃথিৱীত আমি খুবেই ব্যস্ত। চুচকুত আমাৰ অজস্ৰ সপোন। যান্ত্ৰিক ব্যস্ততাই আমাক দিন ৰাতি পাহৰাই ৰাখে। যন্ত্ৰৰ দৰে কেৱল আমি দৌৰি আছো। প্ৰতিযোগিতাময় পৃথিৱীখনত খোজত খোজ মিলাই যাওঁতে আমাৰ উৎসাহ বন্ধ হব খোজে যদিও আমি ৰৈ যাব নোৱাৰোঁ।

বৰ্তমান সময়ত বিশ্বায়নৰ ফলত পৃথিৱীখন হৈ পৰিছে ক্ষুদ্ৰ কণিকা সদৃশ। উন্নত প্ৰযুক্তি আৰু যোগাযোগ ব্যৱস্থাই অতি কম সময়ৰ ভিতৰত পৃথিৱীখনৰ এটা মূৰৰপৰা আনটো মূৰলৈ যাত্ৰা কৰাটো সহজ কৰি তুলিছে। অসমৰ সংস্কৃতিত অন্য ঠাইসমূহৰ সংস্কৃতিৰ প্ৰভাৱ পৰিলক্ষিত হৈছে।

কিন্তু পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱত আমি আমাৰ নিজস্ব ভাষা সংস্কৃতিৰ কথা পাহৰি গৈছো নেকি ?

জাতিটোক ভাষাটোক আমি জীয়াই ৰাখিবই লাগিব। নৱ-প্ৰজন্মই নিজস্ব কৰ্মৰে চিন্তা শক্তিৰে অসমীয়া ভাষা সাংস্কৃতিক ধৰি ৰাখিবই লাগিব।

সাহিত্যই জাতিৰ দাপোন। সাহিত্যই মানুহৰ চিন্তা-চেতনাক উজ্জীৱিত কৰি তোলে। শিক্ষা জীৱনত ছাত্ৰ-ছাত্ৰী সকলক সৃষ্টিশীল মনোভাৱৰ গৰাকী কৰি তুলিবলৈ সাহিত্য চৰ্চাই এক উল্লেখযোগ্য

ৰৰঙণি যোগায়। ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চাৰ মাধ্যম হিচাপে বিভাগীয় আলোচনীখনক স্বীকৃতি দিব পাৰি।

আলোচনী এখন সম্পাদনা কৰা কামটো কঠিন বুলি জানিও মনত কিছু সাহস গোটাই লাহে লাহে আগবাঢ়িলো। জীৱন গঢ়াৰ ক্ষেত্ৰত মহাবিদ্যালয় এখনৰ স্থান মন্দিৰতকৈও ওপৰত বুলি কোৱা হয়। এনেহেন বিদ্যামন্দিৰত বিজ্ঞানৰ ছাত্ৰী হিচাপে বহুতো ঘাত-প্ৰতিঘাত, বাধা বিঘিনি অতিক্ৰম কৰি সাহিত্য চৰ্চা দিশটোত সেৱা আগবঢ়াবলৈ পায় নিজকে ধন্য মানিছো।

২০২৪ বৰ্ষত আমাৰ গড়গাঁও মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰথমখন হাতে লিখা আলোচনী 'কোৰেৰেক্কিয়া' প্ৰকাশ পাবলৈ লৈছে। আশা ৰাখিছো 'কোৰেৰেক্কিয়া' যোগেদিও নৱ দিক্-দৰ্শন হ'ব।

কৃতজ্ঞতা জ্ঞাপনঃ আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ উপদেশ মূলক বাণীৰে সহায় কৰা শ্ৰদ্ধাৰ বিভাগীয় সমূহ শিক্ষাগুৰু বৃন্দলৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত যিসকলে সুন্দৰ লেখনী আগবঢ়াই আলোচনীখনক এখন পূৰ্ণাংগ ৰূপ দিলে তেঁওলোক সকলোলৈকে আমাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

স্নেহা শেনচোৱা
পঞ্চম ষান্মাসিক

# মহাবিদ্যালয় আলোচনী আৰু ইয়াৰ উপকাৰিতা


আলোচনী হৈছে, শিক্ষাৰ এক মাইলৰ খুঁটি-স্বৰূপ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উৎকৃষ্ট মাধ্যম। জ্ঞানৰ মন্দিৰৰ ঐতিহ্য ৰক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা প্ৰকাশ কৰা বাৰ্ষিক মুখপত্ৰ বা আলোচনীখন এক উল্লেখযোগ্য ঐতিহাসিক দলিল স্বৰূপ।

এটা সময়ত যিদৰে অসমৰ নমস্যসদৃশ ব্যক্তি যিজনে জ্ঞানৰ পোহৰ মেলি লৈ পুৰণি পৃথিৱীৰ নতুন দৃষ্টিৰে অসমীয়া ভাষা-সাহিত্যৰ ভঁৰালটো চহকী কৰি থৈ গৈছে সেইজন হ'ল লক্ষ্মীনাথ বেজবৰুৱা। এইজন মহান ব্যক্তি আৰু তেওঁৰেই সহযোগী, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামীৰ সৈতে লগ লাগি অসমীয়া ভাষাৰ উন্নতি হকে 'জোনাকী' (১৮৮৯) নামৰ অসমীয়া আলোচনীখনৰ প্ৰকাশ হৈছিল। জোনাকী আছিল তেতিয়াৰ 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ মুখপত্ৰ। কাব্য, গ্ৰন্থ, উপন্যাস, গল্প, প্ৰবন্ধ, কবিতাৰে জোনাকীয়ে যিদৰে অসমলৈ নৱজাগৰণ কঢ়িয়াই আনিছিল ঠিক তেনেদৰে মহাবিদ্যালয় আলোচনী এখনে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিব পাৰে।

মহাবিদ্যালয়ৰ আলোচনী হৈছে মহাবিদ্যালয়ৰ দাপোণ। এখন মহাবিদ্যালয়ৰ আলোচনীৰ জৰিয়তে মহাবিদ্যালয়খনৰ শৈক্ষিক, নৈতিক, বৌদ্ধিক আদি গুণৰ বা সকলো দিশৰ প্ৰতিফলন প্ৰকাশিত পায়। এখন আলোচনীৰ জৰিয়তে এজন ছাত্ৰ বা ছাত্ৰীৰ চিন্তা-চৰ্চাৰ পৰিসৰ বৃদ্ধি আৰু তাৰ উপৰি লুকাই থকা সুপ্ত প্ৰতিভাবোৰ বিকাশ হোৱাত বহু সহায় কৰে। যিসকল ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ প্ৰতি অনুৰাগ আছে তেওঁলোকে সাহিত্য চৰ্চা কৰিবলৈ উৎসাহ পায় যিহেতু এখন আলোচনীত গল্প, কবিতা, জীৱনী, প্ৰবন্ধ, ৰস ৰচনা, কৌতুক, সাঁথৰ আদি প্ৰকাশ পায়।

বহুতো নজনা কথা এই আলোচনীৰ জৰিয়তে জানিব পাৰে। এখন আলোচনীয়ে শিক্ষাৰ মান উন্নত কৰা আৰু ছাত্ৰ-ছাত্ৰীসকলক আত্মবিশ্বাস জন্মাৰ ক্ষেত্ৰত প্ৰেৰণা যোগায়। এখন আলোচনীত গল্প, কবিতা, প্ৰবন্ধ, ৰস-ৰচনাৰ উপৰি মহাবিদ্যালয়ৰ ক্ৰীড়া প্ৰতিযোগিতা, সাহিত্য প্ৰতিযোগিতা, সংস্কৃতি আৰু অন্যান্য অনুষ্ঠান সমূহৰ একো একোটা দৃশ্য সন্নিবিষ্ট কৰা লগতে তাৰ ফলাফলৰ তালিকা অন্তৰ্ভুক্ত কৰি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ যোগায়।

মহাবিদ্যালয়লৈ অহা প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰ একো-একোটা নিৰ্দিষ্ট লক্ষ্য থাকে। সকলোৰে একো একোটা আশা লৈ আহে আৰু সেই আশা বাস্তৱত পৰিণত কৰিবলৈ চেষ্টা কৰে। এই যাত্ৰা সফলতা নিৰ্ভয় কৰে ছাত্ৰ-ছাত্ৰীসকলৰ বুনিয়াদৰ ওপৰত। এই বুনিয়াদ নিৰ্ভৰ শিক্ষাগুৰুসকলে দেখুওৱা পথ আৰু আদৰ্শৰ ওপৰত। যিহেতু আজি নৱপ্ৰজন্মই ভৱিষ্যতৰ নাগৰিক। সেয়ে এজন নাগৰিক হিচাপে মহাবিদ্যালয়ৰ জৰিতে সকলো কামতে আগভাগ লৈ মহাবিদ্যালয় আলোচনী খন যাতে এখন বৃহৎ আলোচনী, প্ৰতিটো পিতানে যাতে সকলোকে আনন্দ প্ৰদান কৰাৰ লগতে কিছুমান জ্ঞান লাভ কৰিব পাৰে তাৰ বাবে দৃষ্টি ৰাখিব লাগে।



টুলুমণি বৰগোহাঁই
তৃতীয় ষাণ্মাসিক

# বৈজ্ঞানিক প্রেক্ষাপট

# কোভিড - ১৯

কোভিড-১৯ হৈছে এক SARS-CU-2 ভাইৰাছৰ দ্বাৰা সংক্ৰামক ৰোগ। ২০১৯ চনৰ ডিচেম্বৰ মাহত চীনৰ য়ুহানত এই ভাইৰাছ প্ৰথম চিনাক্ত কৰা হৈছিল। এই মহামাৰীটো সমগ্ৰ বিশ্বতে বিয়পি পৰিছিল, যাৰ ফলত ৬০০ নিযুতৰো অধিক লোক সংক্ৰমিত হৈছিল আৰু ৬.৬ নিযুতৰো অধিক লোকৰ মৃত্যু হৈছিল।

স্বাস্থ্যৰ প্ৰভাৱ :- এই মহামাৰীয়ে স্বাস্থ্য ব্যৱস্থাক যথেষ্ট প্ৰভাৱিত কৰিছিল। চিকিৎসালয়বোৰৰ ওপৰত ব্যাপক হেঁচা পৰিছিল, টিকাকৰণ অভিযান চলি আছিল, তাৰ ফলত স্বাস্থ্য কৰ্মীৰ নাটনিত হৈছিল।

আৰ্থিক প্ৰভাৱ :- এই মহামাৰীয়ে অৰ্থনৈতিক ব্যৱস্থাতো যথেষ্ট প্ৰভাৱ পেলাইছিল। বিশ্বৰ জিডিপি ৩.৩% হ্ৰাস পাইছিল ফলত নিবনুৱা সমস্যা বৃদ্ধি পাইছিল। এই মহামাৰীৰ প্ৰকোপৰ প্ৰভাৱৰ ফলত ব্যৱসায় বন্ধ আৰু ভ্ৰমণ নিয়ন্ত্ৰণৰ বাবে অৰ্থনৈতিক পুনৰুদ্ধাৰ লেহেমীয়া হৈ পৰিছিল।

সামাজিক প্ৰভাৱ :- এই মহামাৰীয়ে সমাজখনকো যথেষ্ট প্ৰভাৱিত কৰিছিল। মানসিক স্বাস্থ্যৰ সমস্যা বাঢ়ি আহিছিল, সামাজিক বিচ্ছিন্নতা আৰু একাকীত্ব বৃদ্ধি পাইছিল, আৰু দূৰবৰ্তী প্ৰৱেশাধিকাৰ আৰু শিক্ষাৰ নতুন পদ্ধতি গ্ৰহণ কৰা হৈছিল।

চৰকাৰী প্ৰতিক্ৰিয়া :- এই মহামাৰীৰ বিৰুদ্ধে যুঁজিবলৈ চৰকাৰ সমূহে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছিল। লকডাউন, কাৰফিউ আৰু ভ্ৰমণত বাধা আৰোপ কৰা হৈছিল। টিকাকৰণ অভিযান, পৰীক্ষণ আৰু অৰ্থনৈতিক সমৰ্থন পেকেজসমূহে মানুহক কিছু সাহস প্ৰদান কৰিছিল।

অৱশেষত, কভিড ১৯ মহামাৰীৰ পিছত বিশ্বই এ

ক নতুন যুগত প্ৰৱেশ কৰিছে য'ত ইয়াক স্বাস্থ্য, অৰ্থনৈতিক আৰু সামাজিক সুৰক্ষাৰ দ্বাৰা সংজ্ঞায়িত কৰা হৈছে। এই মহামাৰীয়ে আমাক শিকাইছে যে "আমি নিজকে, আমাৰ পৰিয়ালক সুৰক্ষা দিব লাগিব আৰু আমি কাম কৰিব লাগিব।"

জেচিকা নাৰ্জাৰী
তৃতীয় ষান্মাসিক



# গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰত্যাহ্বান আৰু কৰণীয়

ছেপ্তেম্বৰ মাহ প্ৰায় শেষ হবৰ হল। ঠাণ্ডা ভালকৈ পৰাই নাই, বৰষুণৰ দেখা দেখিয়েই নাই। আগতে দুৰ্গা পূজা চাঁওতে চুৱেটাৰ পিন্ধিব লাগিছিল। আজি-কালি ডিচেম্বৰমাহলৈকে দিনত প্ৰায় ফুল চাৰ্ট এটাৰেই হৈ যায়। কথাটো সাধাৰণ যেন লাগিলেও ইয়াৰ কাৰণ কিন্তু সাধাৰণ নহয়। বিষয়টো উনাই কৰিব পৰা বিধৰ একেবাৰে নহয়। ১৮৯৬ চনতেই নোবেল বঁটাপ্ৰাপক বিজ্ঞানী আৰ্হেনিয়াছে (১৮৫৯-১৯২৭) ফিল'ছফিকেল মেগাজিন এণ্ড জাৰ্নেল অব ছায়েঞ্চ নামৰ গৱেষণা আলোচনীখনত উল্লেখ কৰিছিল যে কয়লাৰ (কোৰ্বন) দহনৰ ফলত উৎপন্ন হোৱা কাৰ্বন-ডাই অক্সাইড গেচে এসময়ত পৃথিৱীৰ উত্তাপ বঢ়াই তুলিব। লক্ষনীয়ভাৱে আৰ্হেনিয়াছৰ এই ভৱিষ্যদ্বাণীৰ এশ বছৰ নোহোৱাৰ পৰাই বায়ুমণ্ডলত হোৱা কাৰ্বন-ডাই অক্সাইডৰ অস্বাভাৱিক হাৰ বৃদ্ধিয়ে গোলকীয় উষ্ণতা বৃদ্ধি কৰি জলবায়ুৰ অভূতপূৰ্ব পৰিৱৰ্তন ঘটাইছে। কাৰ্বন-ডাই-অক্সাইডৰ সমান্তৰালভাৱে মানুহৰ বিভিন্ন কৰ্মৰাজিৰ বাবে নিৰ্গমন হোৱা মিথেন, নাইট্ৰাচ অক্সাইড, কাৰ্বন মনঅক্সাইড, অ'জন, ক্লৰ'ফ্লৰ' কাৰ্বন আদি গেছেও গোলকীয় উষ্ণতা বৃদ্ধিত অৰিহণা যোগাই আহিছে। ভূপৃষ্ঠৰ উষ্ণতা বৃদ্ধিৰ বাবে জগৰীয়া এই গেছসমূহক সেউজগৃহ গেছ বুলি কোৱা হয়।

গোলকীয় উষ্ণতা বৃদ্ধি বা সেউজগৃহ প্ৰভাৱ প্ৰধানতঃ দুই ধৰণে হব পাৰে। প্ৰাকৃতিক আৰু অ-

বন্ধভাৱে এখন সংশ্লিষ্ট সন্মিলিত সভা গঠন কৰে। ২০২১ চনৰ ৩১ অক্টোবৰৰ পৰা ১২ নৱেম্বৰলৈকে স্কটলেণ্ডৰ গ্লাচগ'ত ইউৰোপীয়ান কেবিনেটৰ মন্ত্ৰী আলোক শৰ্মাৰ সভাপতিত্বত কপৰ ষষ্ঠ বিংশতিতম (কপ-২৬) সন্মিলনখন অনুষ্ঠিত হৈ যায়। কপ-২৬ত ১৯৭ সদস্য ৰাষ্ট্ৰৰ দ্বাৰা গ্লাচগ' জলবায়ু চুক্তি স্বাক্ষৰিত হয়। উক্ত চুক্তিমতে দেশসমূহত কয়লা দহনৰ ক্ষেত্ৰত বিশেষ ধৰণৰ প্ৰতিবন্ধকতা অনা হয়। কপ-২৬ত ১৪০ খন দেশে সেউজগৃহ গেছৰ শূন্য নিৰ্গমনৰ প্ৰতিশ্ৰুতি দিয়ে। ১০০ৰো অধিক দেশে ২০৩০ৰ ভিতৰত বনানীকৰণৰ যোগেদি কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ হ্ৰাস কৰিবৰ বাবে সংকল্পবদ্ধ হয়। ভাৰত আৰু চীনে কয়লাৰ দহন হঠাৎ বন্ধ কৰিবলৈ অমান্তি হয়; পৰিৱৰ্তে এই দুখন দেশে কয়লাৰ ব্যৱহাৰ কমাই আনিব বুলি কয়। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০৭০ চনৰ ভিতৰত সেউজগৃহ গেছৰ নিৰ্গমন ভাৰতত সম্পূৰ্ণৰূপে শূন্য কৰিব পৰা যাব বুলি শপত লয়। প্ৰধানমন্ত্ৰীয়ে ২০৩০ চনৰ ভিতৰত কাৰ্বন নিৰ্গমনৰ- বিলিয়ন টকা হ্ৰাস কৰিবলৈ ব্যৱস্থা লোৱা হ'ব বুলিও কথা দিয়ে।

কিন্তু কথা হ'ল কপে যিধৰণৰ পদক্ষেপেই নলওক কিয় ভাৰতৰ দৰে প্ৰায় ১৫০ কোটি জনতাৰ উন্নয়নশীল দেশ এখনত কাৰ্বন-ডাই-অক্সাইডৰ নিৰ্গমন এক শতাংশ ৰোধ কৰাটো ডাঙৰ প্ৰত্যাহ্বান। বিশেষকৈ কভিডে ভাঙি থৈ যোৱা অৰ্থনীতিৰ চন

অপ্ৰাকৃতিক বা মানৱসৃষ্ট। কিন্তু সাম্প্ৰতিক সময়ত মানৱসৃষ্ট কাৰকৰ দ্বাৰা উৎপন্ন হোৱা সেউজগৃহ গেছৰ মাত্ৰা বৃদ্ধিয়ে গোলকীয় উষ্ণতা অস্বাভাৱিক হাৰত বৃদ্ধি কৰিছে। আধুনিক বিশ্বৰ অপৰিহাৰ্য জীৱনশৈলীৰ বাবে ব্যৱহৃত বিভিন্ন কল-কাৰখানা, মটৰ গাড়ী, ইন্ধনচালিত যন্ত্ৰ আদিৰ লগতে শক্তিৰ উৎপাদনৰ বিভিন্ন ব্যৱস্থাই কাৰ্বন-ডাই অক্সাইডৰ লগতে বিভিন্ন সেউজগৃহ গেছৰ নিৰ্গমন দিনক দিনে বৃদ্ধি কৰিছে। তদুপৰি জনবিস্ফোৰণ আৰু আধুনিকীকৰণৰ বাবে বাঢ়ি যোৱা বনাঞ্চল ধ্বংস কাৰ্যই দিনক দিনে বায়ুমণ্ডলত এই সেউজগৃহ গেছসমূহৰ পৰিমাণ ৬০ শতাংশতকৈও অধিক বৃদ্ধি পাইছে। প্ৰাপ্ত তথ্যমতে, সেউজগৃহ গেছসমূহৰ উচ্চ অৱস্থিতিৰ ফলত পৃথিৱীৰ উষ্ণতা ১৭৭৩ চনৰ প্ৰাক শিল্পায়ন যুগতকৈ ১ ডিগ্ৰী চেলচিয়াছ বৃদ্ধি পাইছে আৰু অনাগত কেইবছৰমানৰ ভিতৰত ০.৭ ডিগ্ৰী চেলচিয়াছ পৰ্যন্ত বঢ়াৰ সম্ভাৱনা আছে। গোলকীয় উষ্ণতা ৬ ডিগ্ৰী চেলচিয়াছতকৈ অধিক বৃদ্ধিয়ে পৃথিৱীৰ মুঠ জনসংখ্যাৰ ৭৪% মানুহক ক্ষতি কৰিব বুলি জনা যায়।

সেউজগৃহৰ ধ্বংসমুখী প্ৰভাৱৰ পৰা মানৱ জাতিক ৰক্ষা কৰাৰ একমাত্ৰ উপায় হ'ল মানুহৰ কৰ্মৰাজিৰ দ্বাৰা সৃষ্ট সেউজগৃহ গেছসমূহৰ, বিশেষকৈ কাৰ্বন-ডাই-অক্সাইডৰ নিৰ্গমন হ্ৰাস কৰোৱা। কাৰ্বন-ডাই-অক্সাইড গেছৰ নিৰ্গমন হ্ৰাস কৰাৰ উদ্দেশ্যে 'ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তনৰ কাৰ্যক্ৰম চুক্তিৰ জৰিয়তে বিভিন্ন দেশে ঐক্য

ধৰি উঠাত বিশেষ ভূমিকা গ্ৰহণ কৰা সূক্ষ্মৰ পৰা স্থূল সকলো উদ্যোগৰ বেছিভাগতেই কাৰ্বনক ইন্ধনৰ মুখ্য উৎস হিচাপে ব্যৱহাৰ কৰা হয়। কয়লা ব্যৱহাৰৰ ক্ষেত্ৰত ভাৰতৰ স্থান বিশ্বৰ ভিতৰতে দ্বিতীয়। সেয়ে কাৰ্বন নিৰ্গমনৰ ৰোধ কৰাৰ ক্ষেত্ৰত ভাৰতৰ যথেষ্ট প্ৰত্যাহ্বান আছে। কিন্তু জনসচেতনতাই এই কামখিনি সহজ কৰি তুলিব পাৰে। দিনক দিনে বাঢ়ি অহা যান-বাহনৰ বাবে নগৰাঞ্চলত সেউজগৃহ গেছৰ মাত্ৰা বৃদ্ধি পাইছে। সেয়ে যান-বাহন ব্যৱহাৰৰ ক্ষেত্ৰত নাগৰিকসকল সচেতন হোৱা দৰকাৰ। যিমান পাৰি ব্যক্তিগত যান-বাহনসমূহ ব্যৱহাৰ নকৰি ৰাজহুৱা যান-বাহনেৰে যাতায়তৰ অভ্যাস গঢ়ি তোলা দৰকাৰ। স্থূলৰ পৰা সূক্ষ্ম সকলো উদ্যোগেই ইন্ধন দহনৰ ফলত সৃষ্টি হোৱা ধোঁৱা নিয়ন্ত্ৰণৰ একো ব্যৱস্থা নকৰে। আৰক্ষীৰ পৰা বাচিবলৈ প্ৰদূষণমুক্ত এখন মানপত্ৰ দিলেই দায়িত্ব শেষ বুলি ভবাসকলে এটা কথা জনা দৰকাৰ যে বিগত দশকটোত পৃথিৱীৰ বায়ুমণ্ডলত ৯ গিগাটন (= ১০৯ টন) কাৰ্বন-ডাই-অক্সাইড বৃদ্ধি পাইছে। বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ মাত্ৰা এনে অভূতপূৰ্ব বৃদ্ধিয়ে পৃথিৱীৰ উষ্ণতা অস্বাভাৱিক হাৰত বৃদ্ধি কৰিব, যাৰ দুৰ্বিসহ যন্ত্ৰণা আমাৰ লগতে আমাৰ উত্তৰ পুৰুষেও ভুগিব লাগিব।

- প্ৰিয়াঙ্কা গগৈ
তৃতীয় ষাণ্মাসিক


# 2026 বৰ্ষৰ শৰীৰবিজ্ঞান আৰু চিকিৎসাবিজ্ঞানৰ নোবেল

২০২৩ বৰ্ষৰ শৰীৰবিজ্ঞান বা চিকিৎসাবিজ্ঞানৰ নোবেল পুৰস্কাৰ কাটালিন কাৰিকো আৰু ড্ৰিউ ৱেইছ-মেনলৈ আগবঢ়োৱা হয়। কভিড-১৯ৰ বিৰুদ্ধে ফলপ্ৰসূ mRNA ভেকচিন প্ৰস্তুত কৰিবলৈ সক্ষম হোৱা নিউক্লিঅ'-চাইড বেচ পৰিৱৰ্তন সম্পৰ্কে কৰা আৱিষ্কাৰৰ বাবে এই পুৰস্কাৰ তেওঁলোকক প্ৰদান কৰা হয়। কাৰলিনস্কা প্ৰেছ বিজ্ঞপ্তিটোত কোৱা হৈছে যে, "তেওঁলোকৰ যুগান্তকাৰী আৱিষ্কাৰৰ ভবিষ্যতে, যিয়ে আমাৰ ৰোগ-প্ৰতিৰোধ ক্ষমতাৰ সৈতে mRNA-এ কেনেদৰে ক্ৰিয়া কৰে, সেই বিষয়ে আমাৰ বুজাবুজিৰ মৌলিক পৰিৱৰ্তন ঘটাইছে, আধুনিক যুগত মানৱ স্বাস্থ্যৰ প্ৰতি আটাইতকৈ ডাঙৰ ভাবুকি কঢ়িয়াই অনাৰ সময়ত ভেকচিনৰ বিকাশৰ অভূতপূৰ্ব হাৰত পুৰস্কাৰ বিজয়ীসকলে অৰিহণা যোগাইছে।"

কাৰিকো আৰু ৱেইছমেনে লক্ষ্য কৰিছিল যে, ডেণ্ড্ৰাইটিক কোষে ইনভিট্ৰ'ত ট্ৰান্সক্ৰিপ্ট কৰা mRNA ক ফৰেইন চাবছটেন্স হিচাপে চিনাক্ত কৰে, যাৰ ফলত ইহঁত সক্ৰিয় হয় আৰু প্ৰদাহজনিত সংকেত অণুমুক্ত কৰে। তেওঁলোকে ভাবিছিল যে ইন ভিট্ৰ' ট্ৰান্সক্ৰিপ্ট কৰা mRNA টোক ফৰেইন চাবছটেন্স বুলি স্বীকৃতি দিয়াৰ বিপৰীতে স্তন্যপায়ী প্ৰাণীৰ কোষৰ পৰা mRNA য়ে এক বিক্ৰিয়াৰ জন্ম নিদিলে কিয়। কাৰিকো আৰু ৱেইছমেনে উপলব্ধি কৰিছিল যে কিছুমান গুৰুত্বপূৰ্ণ গুণাগুণে বিভিন্ন প্ৰকাৰৰ mRNA পৃথক কৰিব লাগিব। তেওঁলোকে

আৱিষ্কাৰ কৰিছিল যে, আধাৰ-পৰিৱৰ্তিত mRNA প্ৰদাহজনক প্ৰতিক্ৰিয়াৰ সক্ৰিয়কৰণ অৱৰোধ কৰিবলৈ আৰু কোষবোৰলৈ mRNA প্ৰদান কৰিলে প্ৰটিন উৎপাদন বৃদ্ধি কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি ।

২০০৮ আৰু ২০১০ চনত প্ৰকাশিত পৰৱৰ্তী অধ্যয়নত, তেওঁলোকে দেখুৱাইছিল যে আধাৰ সংশোধনৰ সৈতে উৎপন্ন-হোৱা mRNA ৰ বিতৰণে অপৰিৱৰ্তিত mRNA-ৰ তুলনাত প্ৰটিন উৎপাদন যথেষ্ট বৃদ্ধি কৰিছে প্ৰটিন উৎপাদন নিয়ন্ত্ৰণ কৰা এনজাইমটোৰ সক্ৰিয়-কৰণ হ্ৰাস হোৱাৰ ফলত এই প্ৰভাৱ পৰিছিল । তেওঁলোকৰ আৱিষ্কাৰৰ জৰিয়তে যে আধাৰ সংশোধনে প্ৰদাহজনক সঁহাৰি হ্ৰাস কৰে আৰু প্ৰটিন উৎপাদন বৃদ্ধি কৰে আৰু mRNA ৰ নিদানিক প্ৰয়োগৰ পথত গুৰুত্বপূৰ্ণ বাধাবোৰ আঁতৰ কৰিছিল ।



— গীতাঞ্জলি তেলি
পঞ্চম ষাণ্মাসিক



# প্ৰবন্ধৰ শিতান

# সাগৰলৈ বহুদূৰ

'জাহ্নু বৰুৱাদেৱৰ' 'সাগৰলৈ বহুদূৰ' - চলচ্চিত্ৰখনি উপন্যাসলৈ ৰূপান্তৰিত কৰিছিল মনোৰম গগৈদেৱে।

কুসুমৰ মুখ্য আকৰ্ষণীয় দুজন ব্যক্তি পোৱাল আৰু সুমন। পোৱাল এজন বয়সীয়াল লোক আৰু সুমন তেওঁৰ নাতিয়েক। পোৱাল দিহিঙৰ নাৱৰীয়া। তেওঁৰ দুজন পুত্ৰ আছিল। এজন পুত্ৰ বাহিৰলৈ পঢ়িবলৈ গৈ তাতেই বিয়াবাৰু কৰাই স্থায়ীকৈ থাকিবলৈ লৈছিল। আৰু সৰু পুত্ৰ অৰ্থাৎ সুমনৰ দেউতাক আৰু মাকক এদিন দিহিং নদীৰ সোঁতে উটুৱাই নিছিল। তেতিয়াৰ পৰা সুমনৰ দায়িত্ব ককাকৰ হাতত পৰিল। এতিয়া ককাকৰ এটা উজ্জ্বল ৰাতিপুৱাৰ দৰে সকলো সময়তে চকুত আশা ৰৈ থাকে এখন মাত্ৰ সুখ, তেওঁৰ অতি মৰমৰ নাতি লৰা সুমনৰ সুখ। পোৱাল দিহিঙীয়াৰ প্ৰতিটো জীয়াই থকাৰ প্ৰেৰণা আৰু আশা-ভৰসাৰ মূল হ'ল সুমন। বেচেৰা সুমনৰো বেছি ডাঙৰ নহয়, দহবছৰেই হোৱা নাই। মাক-দেউতা-কৰ বুকুৰ মৰম কি সেইয়া বুজি পোৱাৰ সৌভাগ্যই নহ'ল তাৰ। পোৱাল দিহিঙীয়া মানুহজন বৰ দায়িত্বশীল আৰু হিচাবী। তেওঁ পুৱাতেই উঠি গা-পা ধুই ডাঙৰ নাও বাই ঘাটলৈ যায়। আৰু ঘাটৰ মানুহবোৰ ইপাৰৰ পৰা সিপাৰলৈ পাৰ কৰে। আৰু তেওঁলোকে পাৰ কৰাই দিয়াৰ বাবদ তেওঁক পইচা দিয়ে। আৰু যদি কেতিয়াবা বাকীত যায় অথবা পইচা দিবলৈ থাকে তেওঁ খুজি লয়, পইচা দিবলৈ থাকিলেও মনত ৰাখি থয়। আৰু সময়ত ঘূৰাই দিয়ে। তেওঁ গাঁৱৰ সকলো মানুহৰে সুখ দুখৰ সমভাগী। সেয়ে তেওঁক গাঁৱৰ সকলোৱে বৰ ভাল পায়।

সুমন নৈ সিপাৰৰ স্কুললৈ পঢ়িবলৈ যায়। কাৰণকে সদায় নেকা নাৱেৰে পাৰ কৰাই হৈ আছে। পোৱাল দিহিঙীয়াৰ ডাঙৰ পুত্ৰ অৰ্থাৎ সুমনৰ বৰদেউতাকে পোৱালৰ একো ভৰৰ খাতিৰেই নলয়। দুবছৰ আগৰ আগত পোৱাল আৰু সুমন বৰদেউতাকৰ ঘৰলৈ গৈছিল। কিন্তু বৰমাকে ককাক পোৱালক অপমান কৰি পঠিয়াইছিল। তাৰ পিছৰ পৰা আৰু তেওঁ কেতিয়াও তালৈ যোৱা নাছিল। এতিয়া তেওঁৰ মাত্ৰ এটাই সপোন সুমনক পঢ়াই-শুনাই ডাঙৰ মানুহ কৰিব লাগে। সুমনৰো এটা বৰ ডাঙৰ সপোন আছিল, সেয় সাগৰ চাবলৈ দুৰ্বাৰ হেপাঁহ। সাগৰখন কিমান দীঘল, ইয়াৰ বিশালতা কিমান। কিন্তু ককাকৰ গুচৰত সেই প্ৰশ্নৰ উত্তৰ নাছিল। তেওঁ মাত্ৰ এযাৰ কথাই কৈছিল তুই পঢ়ি-শুনি ডাঙৰ হৈ নিজে সাগৰ চাবলৈ যাব পাৰিবি।

এদিনাখন পোৱালক কোনোবাই কৈছিল বোলে দিহিঙৰ পাৰত এখন দলং হব। সেইদিনাৰ পৰাই তেওঁৰ চিন্তা হৈছিল তেওঁ সুমনক কেনেকৈ পোহ-পাল দিব, কেনেকৈ ডাঙৰ মানুহ কৰিব। তেওঁৰ দুখে কোনোৱাই-পাচিবে নোৱৰা হৈছিল কাৰণ উপাৰ্জনৰ পথ হিচাপে তেওঁৰ নাওঁ চলোৱা কামটোহে আছিল। অসমীয়াত এষাৰ কথা আছে নহয় বোলে দুখীয়াৰ দুখ কোনে বুজিব পাৰে।

এদিনাখন পোৱাল দিহিঙীয়াৰ ডাঙৰ পুত্ৰ হেমন্তই তেওঁৰ ঘৰলৈ দেউতাকক চিঠিৰ যোগেদি মাতি পঠাইছিল। তাৰ কাৰণ আছিল টাউনত তেওঁলোকৰ এপোৱাৰ মাটি আছিল। সেইখনৰ দেউতাৰ নামত আছিল সেয়েহে তাত তেওঁৰ

হোৱাৰ প্ৰয়োজন। পুত্ৰ হেমন্তই সেই মাটিডোখৰ বিক্ৰী কৰিব বিচাৰিছিল। সেই উদ্দেশ্যে দেউতাকক মাতি পঠাই-ছিল। বহুত দিনৰ মূৰত পুতেকে মাতি পঠিওৱাত তেওঁ মনত বৰ ৰং পাইছিল। মাক যাবলৈ সন্মত হৈছিল। আচলতে হুলেন্দ্ৰ গোৱালে ভাবিছিল যে হেমন্ত নিজৰ পুত্ৰ। গতিকে পুত্ৰই ভুল কৰিলে ক্ষমা কৰিব লাগিবই। তথাপিও পুত্ৰৰ গাত একো দুখ নাছিল, বৰঞ্চ বোৱাৰীয়েকেহে তেওঁক অপমান কৰি পঠাইছিল। তথাপিও তেওঁ সৰবৰত ভাল বুলিহে লেখিছে কাৰণ তেওঁ গাঁৱৰ এজন সহজ-সৰল লোক।

সঁচা কথা বুলিলে পালে আজিৰ দিনত মানুহবোৰ শিক্ষিত হৈছে সঁচা কিন্তু তেওঁলোকৰ জ্ঞান আধৰুৱা হৈছে। তেওঁলোকে মাত্ৰ নিজৰ কথাকে চিন্তা কৰিছে। নিজে কেনেকৈ উন্নতি কৰিব পাৰে, কেনেকৈ ধনী হৈ থাকিব পাৰে। আজিৰ দিনত যান্ত্ৰিকতাৰ মাজত মানুহবোৰ এনেকৈ হেৰাই গৈছে যে তেওঁলোকে নিজৰ তেজ-মঙহৰ মানুহৰ কথা পাহৰি গৈছে। তেওঁলোকৰ মনবোৰ ইমানেই ঠেক হৈ পৰিছে যে নিজৰ আপোন মানুহবোৰকো তেওঁলোকে স্বাৰ্থত ব্যৱহাৰ কৰিবলৈ লৈছে। আজিৰ এই সমাজৰ লোকসকল জানো প্ৰকৃতাৰ্থত মানুহ হয়। মোৰ বোধেৰে প্ৰকৃত মানুহ সেইজন যাৰ মানবীয়তাৰ গুণ থাকে। যি অসহায় লোক লোকক সহায়ৰ হাত আগবঢ়াবলৈ চেষ্টা কৰে। এই গল্পটিৰ পৰা মই এটা শিক্ষা পালো যে এই পৃথিৱীত নিজতকৈ আপোন আৰু কোনো নাই। যদি নিজৰ তেজৰ পুত্ৰই মাক-দেউতাকক স্বাৰ্থত ব্যৱহাৰ কৰিব পাৰে তেনেকৈ আৰু

এনেকুৱা কথা কি হ'ব পাৰে। আজিৰ দিনত বহুতো ঘটনা আমাৰ চকুৰ আগত ঘটি আছে। উদাহৰণস্বৰূপে কাৰণে সকলোৱে এক দেউতাকক বোজা বুলি ভাবি বৃদ্ধাশ্ৰমত থৈ আহে যা কাৰণত সি এবি থৈ আহে আৰু কিছুমানে হয়তো অত্যাচাৰ কৰে। এইলোক কেতিয়াও প্ৰকৃত পুত্ৰ নহয়। মোৰ বোধেৰে এইলোক পুত্ৰৰ নামত কলংক।

জোনালী অসল
প্ৰথম ষাণ্মাসিক



# সংগীতৰ সৈতে মোৰ যাত্ৰা

সংগীত মোৰ অতিকৈ প্ৰিয়। এই সংগীত ভগৱান সৃষ্ট এক সুমধুৰ কলা। এই সংগীতৰ পৰিধি যথেষ্ট বহল। গীত, বাদ্য, নৃত্যৰ সমাহাৰে সংগীতৰ সৃষ্টি হৈছে।

বাদ্যযন্ত্ৰ সংগীতৰ এক অবিচ্ছেদ্য অংগ। মই সৰুকালীয়া দিনৰে পৰাই বাদ্যযন্ত্ৰৰ প্ৰতি আকৰ্ষিত হৈছিলো। মই ড্ৰাম চেট বজাই খুবেই ভাল পাওঁ। মই পঢ়া স্কুলত প্ৰায়ে ড্ৰাম চেট বজাইছিল। মোৰ মনটোৱে সদায়েই সেই দৃশ্যাংশ চাবলৈ হেপাঁহেৰে ৰৈ থাকে। আৰু এদিন মোক হঠাতে সেই দাদাজনে কলে, "আহাচোন আজি তুমি বজোৱা। মই বেয়াখিন সেইদিনা, জনাই নজনাই মই হেপাঁহ পূৰাই সেইদিনা বজালো।

মোৰ এই বাদ্য-যন্ত্ৰৰ প্ৰতি আকৰ্ষণ ক্ৰমান্বয়ে বাঢ়ি থাকিলে। মই অনলাইনত বহুকেইজন গুৰুৰ ওচৰত প্ৰশিক্ষণ ললো। মোৰ এই বাদ্য-যন্ত্ৰ শিকাৰ হেঁপাহে যেন মোৰ ৰাতিৰ টোপনি দিনৰ ভোক কাঢ়ি লৈ গৈছিল। মোৰ এই হেপাঁহ দেখি দেউতাই শিৱসাগৰৰ দাদা এজনৰ ওচৰলৈ গৈ তাত মই দীৰ্ঘদিনীয়া এক প্ৰশিক্ষণ ললো। অৱশেষত মই এই বাদ্যযন্ত্ৰ সুন্দৰকৈ বজাব পৰা হলো।

বাদ্যযন্ত্ৰ শিকিলো হয় কিন্তু মোৰ ক্ৰয় কৰিবলৈ আৰ্থিক অনাটনৰ বাবে বহুতো কষ্টৰ সন্মুখীন হবলগীয়া হৈছিল। ডেৰ বছৰ দিন মই পইচা জমা কৰি কৰি অৱশেষত মোৰ হেপাঁহৰ বাদ্যযন্ত্ৰ বিধ ক্ৰয় কৰিলো। সেই দিনটো সেই সময়খিনি মোৰ বাবে খুবেই বিশেষ আছিল।

এই বাদ্যযন্ত্ৰ মোৰ বাবে সকলো হয়। ইয়াৰ লগাই স্বপ্ন দেখো ভৱিষ্যত জীৱনৰ।

এলিমন বাইলুং
তৃতীয় ষাণ্মাসিক




# অসমৰ কিছুমান বিলুপ্তপ্ৰায় প্ৰজাতি

১/ সোণালী লাঙুৰ : পশ্চিম অসমৰ এটা সৰু অঞ্চলত সোণালী লাঙুৰ পোৱা যায়। ইয়াৰ বৈজ্ঞানিক নাম ট্ৰেকিপিথেকাছ গী। ইয়াক দুবুৰীয়া ভুটানৰ পাদদেশতো পোৱা যায়। ই অসমৰ বিপদাপন্ন প্ৰাইমেট প্ৰজাতিসমূহৰ এটা। ইয়াক হিমালয়ৰ বহুতো মানুহে পবিত্ৰ প্ৰাণী হিচাপে গণ্য কৰে। ই জীৱনতে প্ৰায় আইফলৰ গছত বাস কৰে। ইয়াৰ দেহৰ বৰণ সোণালী, মুখমণ্ডল ক'লা আৰু নেজডাল যথেষ্ট দীঘল। এই প্ৰাণীবিধক ভাৰতীয় বন্যপ্ৰাণী আইন (১৯৭৮) অনুসৰি সৰ্বোচ্চ প্ৰতিৰক্ষা আগবঢ়োৱা হৈছে। পৃথিৱী বিখ্যাত সোণালী বান্দৰৰ জন্মভূমি হিচাপে পৰিচিত বঙাইগাঁও জিলাৰ কাকৈজানা সংৰক্ষিত বনাঞ্চলত অসমৰ সৰ্বাধিক সোণালী বান্দৰ পোৱা যায়।

২/ নল-গাহৰি : পৃথিৱীৰ ভিতৰতে আটাইতকৈ সৰু প্ৰজাতিৰ বনৰীয়া গাহৰি নল-গাহৰিৰ বৈজ্ঞানিক নাম Porcula salvania ঘোৰ সংকটগ্ৰস্ত তালিকাভুক্ত এই প্ৰাণী বৰ্তমান অসমৰ বাহিৰে কোনো ঠাইত পোৱা নাযায়। এক সময়ত এই গাহৰি নেপাল, উত্তৰ প্ৰদেশ আৰু অসমত পোৱা গৈছিল। লাহে লাহে উত্তৰ প্ৰদেশ, নেপাল আৰু উত্তৰ বংগত পোৱা গৈছিল। লাহে লাহে এই ঠাইসমূহত এই আপুৰুগীয়া গাহৰিবিধ বিলুপ্ত হৈছে বুলি ধৰি লোৱা হৈছিল। যদিও অসমৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানত পুনৰ ইয়াক দেখা পোৱা যায়। বৰ্তমান ৫০০ টাতকৈ কম নল গাহৰি কেৱল অসমৰ হাবিত জীয়াই আছে।

৩/ একশিঙীয়া গঁড় : অসমৰ আন এবিধ বিপন্ন প্ৰজাতি হৈছে একশিংযুক্ত গঁড়। তেওঁলোক ব্ৰহ্মপুত্ৰ নদীৰ অৱবাহিকাৰ কাষত অৱস্থিত সমতল ঘাঁহনিত ইহঁত পোৱা যায়। গঁড়ৰ একক শিং মাত্ৰ নাকৰ উপৰতে থাকে। কলা শিংডাল মানুহৰ নখৰ দৰে কিৰাটিনেৰে গঠিত। শিংডালৰ দৈৰ্ঘ্য প্ৰায় ২৫ চেন্টিমিটাৰৰ পৰা ৫৭ চেন্টিমিটাৰ। বনাঞ্চল অঞ্চলৰ দ্ৰুত ধ্বংস আৰু জলবায়ুৰ পৰিৱৰ্তনৰ বাবে প্ৰতি বছৰে ইহঁতৰ সংখ্যা ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে। চোৰাং চিকাৰীয়েও এই নিৰীহ জীৱ-জন্তুৰ প্ৰতি এক বৃহৎ ভাবুকিৰ সৃষ্টি কৰিছে।

লাকী গগৈ
তৃতীয় ষাণ্মাসিক



# সাপ সম্পৰ্কে প্ৰচলিত অন্ধ বিশ্বাস সমূহ-

সাপ সম্পৰ্কে প্ৰাচীনকালৰ পৰাই অসমৰ বিভিন্ন প্ৰান্তত কিছু ভুল ধাৰণা প্ৰচলিত আছে। দুৰ্ভাগ্যজনক এইটোৱেই যে বহু উচ্চ আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত লোকেও এই ভুল ধাৰণাবোৰক কেৱল প্ৰশ্ৰয় দিয়াই নহয়, এই ভুল ধাৰণাসমূহৰ পক্ষে পাৰ্যমানে ওকালতি কৰি নিজে উপস্থাপনাৰে বাস্তৱধৰ্মীভাৱে সাপ সম্পৰ্কে প্ৰচলিত অতিৰঞ্জিত কাহিনীৰ সতে সাঁচুৰি দিয়ে যে সাধাৰণ মানুহৰ সেইবোৰ ভুল একেবাৰে মন-মগজুৰ মাজত সোমাই যায়গৈ।

সাপ মানে বিষধৰ নহয়। পৃথিৱীত প্ৰায় ২৫০০ ৰ পৰা ৩০০০ প্ৰজাতিৰ সাপ আছে। তাৰ মাজত ৫০০ প্ৰজাতিৰ সাপহে বিষধৰ। আমাৰ দেশত ২৭০ প্ৰজাতিৰ সাপ পোৱা যায়। যদিও বিষধৰ সাপ আছে মাত্ৰ ২০ টা মান প্ৰজাতিৰ। অসমত প্ৰাপ্ত প্ৰায় ৬৫ প্ৰজাতিৰ সাপৰ কেৱল ৭টা মান প্ৰজাতিৰ সাপহে বিষধৰ।

সাপ সম্পৰ্কে আমাৰ সমাজত বহলভাৱে চলি থকা কিছুমান অন্ধবিশ্বাস হ'ল :—

১/ সাপে কামুৰাৰ পিছত নিজৰ বিষ নিজে শোষণ কৰিব পাৰে-

সাপৰ দাঁত ঠিক ইনজেকচন চিৰিঞ্জৰ দৰেই, দাঁতৰ মাজৰ নলীৰে সাপৰ বিষগ্ৰন্থী পৰা বিষ কামোৰা জনৰ দেহলৈ ঠিক ইনজেকচন দিয়াৰ দৰেই সোমোৱাই দিয়ে। এতিয়া কথাটো হ'ল ইনজেকচন দিয়াৰ পিছত মানুহৰ দেহত মিলি যোৱা কোনো দ্ৰৱ পুনৰ সেই চিৰিঞ্জেৰে টানিয়াই অনাটো সম্ভৱ জানো....? টিঁয়া কথাও অসম্ভৱ। সেয়ে, সাপে নিজৰ বিষ নিজে শোষণ কৰিব পৰাটোও অসম্ভৱ। এই ধাৰণাটোৱে জন্ম দিয়ে সাপৰ

এই বেজসকলেই । কেৱল নিজৰ ব্যৱসায়ৰ স্বাৰ্থত ।

২/ সাপে মন্দিৰত আশ্ৰয় লয় ঃ
 ইও এক প্ৰকাৰৰ অন্ধবিশ্বাস । আমি সাপ যতে ততে দেখা পাওঁ । ঘৰৰ ভিতৰতো কেতিয়াবা সাপ সোমায় । মন্দিৰতো অন্যান্য সৰু-সুৰা প্ৰাণীৰ দৰেই সাপ সোমাব পাৰে এইটো সাধাৰণ কথা, কোনো অস্বাভাৱিক বিষয় নহয় । কাৰণ মন্দিৰো একোটা ঘৰেই । এই কথাটোকে আমাৰ সমাজত অলৌকিক কাণ্ড বুলি, হুলস্থুল কৰি এক অন্ধবিশ্বাস ৰূপে তোলে যাৰ ফলত মানুহৰ বাবে বিপদৰ আশংকাও বৃদ্ধি পায় ।

৩/ সাপে বেজক কামুৰিলেও বেজজনৰ একো নহয় ঃ
 ইয়াৰ কাৰণটো হল, তেওঁলোকে সাপৰ বিষদাঁত ভাঙি পেলায় । নতুবা বিষগ্ৰন্থীৰ পৰা দাঁতলৈ সংযুক্ত নলীডাল কাটি দিয়ে । ফলত সাপে বিষ প্ৰয়োগ ক্ষমতা হেৰাই পেলায়। সেয়ে বেজক সাপে কামুৰিলে একো নহয় । আৰু এইটোকেই আমাৰ সমাজত এক অলৌকিক ঘটনা হিচাপে জনাজাত হৈ আছে যাৰ ফলত সাধাৰণ মানুহ বিপদত পৰাও দেখা গৈছে ।

৪/ বেজে জৰা-ফুকা কৰি সাপে কামুৰাৰ ভাল কৰে ঃ
 এইটো আটাইতকৈ ভয়ংকৰ অন্ধবিশ্বাস, যি আজিও আমাৰ সমাজত প্ৰচলিত, আৰু ভাল শিক্ষিত মানুহকো সাপে কামুৰিলে প্ৰথমে বেজৰ ওচৰলৈ নিয়া দেখা যায় ।


কিন্তু সঁচাকৈ হ'ল কোনো বেজে ধৰা-ফুকা কৰি সাপে কামুৰা ভাল কৰিব নোৱাৰে। কিন্তু সৌভাগ্যক্ৰমে কেতিয়াবা বেজে ধৰা-ফুকা কৰা পাছত ভাল হোৱা দেখা যায়। তাৰ মূল কাৰণটো হ'ল আমাৰ ইয়াত পোৱা বেছিভাগ সাপেই বিষধৰ নহয়। তাক কেতিয়াবা সৰু পোৱালী সাপেহে কামুৰাৰ বাবেও ইমান এটা সক্ৰিয় প্ৰভাৱ নেপেলায়।

নিমিতা পাটৰ
তৃতীয় ষাণ্মাসিক



# নাৰী তুমি অনন্যা

নাৰী ভবানী নাৰী শক্তি
নাৰী ধৰিত্ৰী
নাৰী তুমি অনন্যা....



ইতিহাস আৰু বৰ্তমানত, সভ্যতাৰ বিকাশত নাৰীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰি আহিছে। বৈদিক যুগৰ পৰা বৰ্তমান যুগলৈকে ভাৰতীয় নাৰীৰ স্থান তথা নাৰী প্ৰতিভাৰ উত্থান-পতনৰ এক সুদীৰ্ঘ কাহিনী বিজড়িত।

ধৰ্মীয় আখ্যানৰ মা দুৰ্গাৰ জন্ম কাহিনীয়ে প্ৰাচীন ভাৰতীয় সমাজত নাৰীৰ প্ৰমাণ কৰে। ধৰ্মীয় দিশৰ পৰা দেখা যায় অসুৰসকলৰ উপদ্ৰৱৰ পৰা উদ্ধাৰ কৰি দুৰ্গাই নিজস্ব মহিমা আৰু শক্তিৰে শান্তি প্ৰতিষ্ঠা কৰিছিল, তদুপৰি বিদ্যাৰ অধিষ্ঠাত্ৰী হিচাপে সৰস্বতী আৰু সম্পদ অধিকাৰী হিচাপে লক্ষ্মীদেৱীক স্থাপিত কৰি আহিছে।

পৌৰাণিক আখ্যানৰ নাৰী দেখো, শকুন্তলা, সাবিত্ৰী, সীতা, দ্ৰৌপদী আৰু নাৰীসকলৰ সাধনা, কৰ্মশক্তি, ত্যাগ আৰু স্বমহিমাৰে নাৰীশক্তিক যুগমীয়া কৰি আহিছে। সাবিত্ৰী সাধনাৰ, সীতাৰ শুদ্ধ সৌম্য ৰূপেৰে ৰাৱণৰ অহংকাৰ চূৰ্ণ কৰি স্বামীৰ প্ৰজাবৎসলতা সহায় কৰা, দ্ৰৌপদীৰ জীৱন ত্যাগ আৰু সংগ্ৰামেৰে পৰিপূৰ্ণতাত এক মাৰ্মিক পাঠ। মহাভাৰতৰ পাচ পাণ্ডৱৰ যাত্ৰী পাঞ্চালীৰ প্ৰকৃত নাৰীবাদীসকলৰ দৃষ্টি আজিল। তেওঁ প্ৰতিবাদী মহিলাৰ বাবে অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ এক অনুপ্ৰেৰণা। আহোমৰ ছশ বছৰীয়া ৰাজত্ব কালত ৰাজনৈতিক কাঠামো সুন্দৰ সুঠাম কৰি ৰখাৰ ক্ষেত্ৰত কেৱল ৰাজন্যবৰ্গ দৃঢ়তা আৰু

প্ৰচেষ্টা আছিল যোৱা নহয়, আনকি ৰমণী সকলোৱে ৰাজ্য খেদি সুদৃঢ় কৰি ৰখাত সহায় লৈছিল আছিল। জয়ধ্বজ সিংহৰ কন্যা ৰমণী গাভৰু, জয়মতী, মূলেশ্বৰী কুঁৱৰী, মূলাগাভৰু, কুৰঙ্গনয়নী, চাও চিং কুঁৱৰী আদি ৰমণীৰ সাহস, বীৰত্ব, দেশপ্ৰেম, আত্মত্যাগ, দূৰদৰ্শিতাৰ, দেশপ্ৰেম, বীৰত্ব আৰু ৰাজনৈতিক পাৰদৰ্শিতাই আহোম যুগত নাৰী সমাজক অসমৰ দেশমাতৃ আদৰ্শ কৰি তুলিছিল।

জাতিৰ পিতা গান্ধীজীয়েও সমাজৰ সকলো নাৰীৰ প্ৰগতিত উৎসাহ যোগাইছিল। সেয়েহে স্বাধীনতা আন্দোলনত নাৰীসকলেও দেশপ্ৰেমৰ অনুভূতি প্ৰদৰ্শন কৰিছিল। গান্ধীজীৰ আহ্বানত কনকলতা, বিজয়লক্ষ্মী পণ্ডিত, সৰোজিনী নাইডু আৰু বহুতো নাৰীয়ে স্বাধীনতা আন্দোলনত জঁপিয়াই পৰিছিল। সেইসময়ৰ কনকলতাৰ পৰা মূলাগাভৰু-জয়মতীলৈকে চালে দেখা যায় যে একো-একোগৰাকী নাৰীয়ে বিভিন্ন ক্ষেত্ৰত নিজৰ দক্ষতা প্ৰদৰ্শন কৰিছে।

এই সকলোবোৰৰ একমাত্ৰ কাৰণেই হৈছে নাৰীৰ মমতাময়ী। নাৰীৰ এই মমতাময়ী প্ৰতিমূৰ্তিত নাৰীৰ সাহস, অসংখ্য কষ্ট আৰু যন্ত্ৰণাৰ মিশ্ৰণ। নিজৰ দেশ, নিজৰ জাতিৰ বাবে নিজক বিসৰ্জন কৰিব পৰা শক্তিৰ বাবে নাৰী এগৰাকী মাঁ হব পাৰিছে; আৰু এইয়া আমো এগৰাকী নাৰীৰ বাবেহে সম্ভৱ।

সুচিত্ৰা শৰাফলীয়া
প্ৰথম ষাণ্মাসিক

## মাদকদ্ৰব্য আৰু সমাজত ইয়াৰ কু-প্ৰভাৱ

মাদক দ্ৰব্যৰ ব্যৱহাৰ বৰ্ত্তমান সমাজত এক ব্যাধিৰূপে দেখা দিছে। আমাৰ দেশত বৰ্ত্তমানে প্ৰয়োগ হোৱা মদ, ভাং, কানি আৰু ধঁপাতেই হ'ল সাধাৰণ মাদক দ্ৰব্য। ইয়াৰ উপৰিও 'ড্ৰাগ' নামৰ মাদক দ্ৰব্যবিধৰ প্ৰচলন সমাজত ভয়াবহ ৰূপ ধাৰণ কৰিছে। এইবিধক জীৱনঘাতক মাদক দ্ৰব্য বুলিও ধৰা হয়। বৰ্ত্তমান যুৱ সমাজত নিচাযুক্ত দ্ৰব্য সেৱনৰ আসক্তি দ্ৰুতগতিত বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ই সমাজৰ বাবে ভয়াবহ সংকট কিয়নো যুৱশক্তি হৈছে সমাজ তথা দেশ গঢ়াৰ মূল ভেটিস্বৰূপ। মাদকদ্ৰব্য দীৰ্ঘদিন সেৱনৰ ফলত স্মৃতিশক্তি, দৃষ্টিশক্তি, ধাৰণাশক্তি, ক্ষীণ হোৱাৰ উপৰিও হাঁওফাঁও, হৃদযন্ত্ৰ, স্নায়ুদুৰ্বলতা আৰু ৰক্তচাপ বৃদ্ধি ৰোগৰ সৃষ্টি কৰে। ইয়াৰ বাহিৰেও পাকস্থলী, শিৰা, যকৃত, অন্ত্ৰ আদিত হোৱা কৰ্কট ৰোগ আৰু যকৃতত হোৱা 'লিভাৰ চিৰ'চিচ' নামৰ কঠিন ৰোগ মদ্য পানৰ ফলত সৃষ্টি হোৱা দেখা যায়। অকল ৰোগৰ সৃষ্টিয়েই নহয়, দুৰ্ঘটনা, অসামাজিক কাৰ্যৰ অধিকাংশই ইয়াৰ পৰিণতি। মদৰ একেবাৰে সৰু অণু হ'ল এলকোহল যি শৰীৰৰ তেজৰ লগত পানীৰ লগত মিলি যায়। শৰীৰত ৭০/৮০ ভাগ পানী থাকে; এই পানীৰ

নগত মিহলি হৈ শৰীৰৰ লগতে মস্তিষ্ক লৈকে পাইগৈ। মস্তিষ্ক পোৱাৰ লগে লগে ন্যুৰ'ট্ৰান্সমিটাৰৰ ওপৰত ক্ৰীয়া লগে লগে স্নায়ু তন্ত্ৰক কেন্দ্ৰক প্ৰভাৱিত কৰি মানুহৰ ভ্ৰমিত কৰি তোলে। মাদক দ্ৰব্যৰ ব্যৱহাৰ হ্ৰাস কৰিবৰ বাবে সমাজৰ সকলো লোক সজাগ হোৱাৰ প্ৰয়োজনীয় হৈ পৰিছে। এই ক্ষেত্ৰত স্কুল কলেজসমূহতো সজাগতা সভাৰ আয়োজন কৰিব লাগে। চৰকাৰী পক্ষই এই ক্ষেত্ৰত কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

যুক্তামুখী মহন্ত
তৃতীয় ষান্মাসিক




# কবিতাৰ কৰণি



# কুঁৱলী

ডাঠ কুঁৱলী ফালি নিস্তব্ধ পুৱাৰ
এক চিনাকী পৰশ,
স্বপ্নময়ী ধৰাৰ নিদ্ৰা কাঢ়ি
এক ৰং বিহীন
ফাকু আনিলেহি।



ফাকু.... ৰদালিৰ ফাকু
কোমল ৰদালি পৰশ পাই
ধৰিত্ৰী জাগ্ৰত হল,
দশোদিশে যেন সোণৰে উজলি উঠিল।
দুহাতেৰে খুলি দিলোঁ খিৰিকি
এটি ৰাতি অপেক্ষাৰ
এই যে কোমল পৰশৰ
আঁকোৱালি ললোঁ দুচকু মুদি।
নীৰৱতা মাজতো যেন আকাশত
এজাক বিহংগৰ
মাত শুনা পালোঁ মই,
নিশা আকাশৰ তৰাবোৰৰ লগত
উমলি ভাগৰি পৰা
তলসৰা শেৱালী সুবাস
এটি যেন নীৰৱ পুৱা.....।

সুচিস্মা ঘৰফলীয়া
প্ৰথম ষাণ্মাসিক

পূৰ্ণতা

"কাঁচিজোনৰ পূৰ্ণতা প্ৰাপ্তি পৰিস্ফুটিত শৰতৰ
পূৰ্ণিমাৰ নিশাৰ জোন"
আজি কাঁচি জোনৰ পূৰ্ণতা
শৰতৰ পূৰ্ণিমাৰ জোনাক
প্ৰকৃতিত মাৰিছে



আজি দুবৰিত
নিয়ৰৰ টোপাল
মুকুতা গাচিছে



আজি তলসৰা শেৱালিৰে
শৰতৰ শুভ্ৰতাৰ
দলিচা পাৰিছে.



আজি কাঁচিজোনৰ কামনা
'পূৰ্ণতা প্ৰাপ্তি হৈছে।
নিয়ৰৰ সৰু সৰু মুকুতাৰ জিলিঙনি
সুন্দৰৰ অপূৰ্ব সমাহাৰ
পূৰ্ণিমা নিশাৰ নদী পাৰত
কঁহুৱা হালিছে জালিছে
যেন আকাশৰ গোটেই তৰাবোৰ



ধৰালৈ নামি আহিছে
পানীত জিলিকিছে





কঁহুৱাৰ ৰূপবোৰ
কোনে কিমান লৰা আহা
ধৰাৰ বুকুত
সকলোকে আহি- ধৰিছেহি আকোঁৱালি।

# বন্ধুত্ব

বন্ধুত্ব তিনি আখৰে নিমজ্জিত এটি শব্দ
কিন্তু ইয়াৰ সংজ্ঞা অসীম
নোৱাৰি তুলনা কৰিব ।
বন্ধুত্ব পৃথিৱীৰ সকলোতকৈ মৰমৰ বান্ধোন
বন্ধুত্ব আমাৰ চৰিত্ৰ ব্যক্তিত্বৰ প্ৰতিফলন
আৰু ভাগ্যৰ পবিত্ৰ মিলন ।
ভাল বন্ধু আৰু ভাল বন্ধুত্ব পোৱা,
বিধাতাৰ লিখন ।

আহ্লাৰাণী বড়া
প্ৰথম ষান্মাসিক



# বিষাদপ্ৰিয় হৃদয়


তুমি জানো বুজিবা
মোৰ হৃদয়ত থকা
সেই শৃংখলিত শব্দকেইটিৰ ভাৱনা
তুমি জানো বুজিবা
কিমান যে সিহঁতৰ কাতৰ অনুৰোধ
হৃদয়ৰ মাজত থকা
সেই বিষাদপ্ৰিয় আখৰকেইটিৰ
যিয়েই ওলাই আহিব নোৱাৰে
নিজ ইচ্ছামতে,
যিয়েই বুকুৰ মাজত বিচাৰি ফুৰে
স্নিগ্ধ শৰতৰ নিচিনা জোনাক
নিশ্চয় তোমাৰ হৃদয়তো হয়তো
এনে ভাৱনা নথকা নহয়
কিমান যে সহিম সেই যন্ত্ৰণা
নিশ্চয় ওলাই আহিব এদিন
সেই বিষাদপ্ৰিয় শব্দকেইটি
নিঃসংকোচে নিৰ্ভয়ে,
কিন্তু........
তুমি জানো দিবা
তোমাৰ হৃদয়ত সেই শব্দকেইটিক ঠাই....
যিয়েই বিচাৰি ফুৰে
তোমাৰ স্নিগ্ধ হাতৰ পৰশ ।



শিখা চুতীয়া
পঞ্চম ষান্মাষিক

# এজোপা কৃষ্ণচূড়া

কিছুদিনৰ আগতে
মাথোঁ কৃষ্ণচূড়া জোপাই
নতুনকৈ কুঁহি মেলিছিল
এটি দুটি অকণমানিকৈ......
কিছুদিনৰ পিছত
পাতেৰে ভৰপূৰ কৃষ্ণচূড়া জোপাই
কলি পেলালে
আৰু লাহে লাহে কলিবোৰ তেজাল হ'ল
কৃষ্ণচূড়াজোপা পুষ্পিতা হ'ল ।
পিশাচবোৰে গোন্ধ পালে
তাইক আৱৰি ধৰিলে
আনন্দতে চিকাৰীলি পাৰি
তাইৰ বগা কাপোৰখোৰত
সিহঁতৰ কলা দাগ লাগিল
ঘঁহিলে, কিন্তু নগ'ল
তাই কলংকিতা হ'ল
কান্দিলে কিন্তু নুশুনিলে
কিয়নো, কিছুদিনৰ আগত
কলিবোৰ তেজাল হ'ল ।



প্ৰতীক্ষা বড়া
প্ৰথম ষাণ্মাসিক

# আগমন


নীলিম আকাশৰ কলীয়া ডাৱৰত
চিকমিক মেঘৰ অবিৰাম অভিমান,
অপেক্ষা অপেক্ষাৰত
স্বাভিমানি খেতিয়কৰ
এক সুখৰ পৰিভাষা ।
মেঘৰ মাদলটিৰ গাজল সংগীত
পাহাৰৰ টোপালৰ গুনগুনিত
চিৰাল ফটা আই বুকুত
মধুৰ মলয়া শীতলতা,
মলিনতা, উদাসীনতাৰ শুকান হিয়াত
এটি যেন চেঁচা হুমুনিয়াহ ।
মৌনতা খৰাং বুকুত মেৰিওৱা
উৎকণ্ঠা, অভিযোগ
তৃষ্ণাতুৰ হেপাহৰ
অন্ত আজি.....,
আৰম্ভ হব আকৌ
আই বুকুত
কেঁচা মাটি গোন্ধ,
এজাক বৰষুণৰ আগমনত....
এজাক আশাৰ বৰষুণ.......॥



গায়ত্ৰী আৰন্ধৰা
পঞ্চম ষাণ্মাসিক

# অৰণ্য

অৰণ্যত দুলৰীয়া হৈলহি
বৰ্নিলে অৰণ্যই জন্মাত
উন্মোচন কৰি গ'ল
ইয়াৰ বিচিত্ৰ গৌৰৱ...
ৰ'দ আৰু বৰষুণ
ইয়াত কোনোটোৰেই ক'ম নহয় চোন
চৰাই হৈ...
খেৰ খুটা কঢ়িয়াই
নিৰলত বাহ এটি সাজিলো...
চোতালত চৌৰ মেনা কুঁহিপাতে উমলিল
ফুটুকীয়া বেলিৰ ছয়াঁত
আকাশত যেন আৰু জবাফুল
বতাহৰ সুহৰিত বনৰীয়া ফুলৰ গোন্ধ
দেওপাখি ফুৰা পাহাৰীয়া জুৰিটো
উজাই আহিল বেঁচাপতীয়া
ঘাঁহনিডৰাৰ বুকুলৈ
সোণালী পাখিৰ চৰাই দুটিৰ ঠোঁটত
উৰি আহিল অৰণ্যৰ সেউজীয়া চিঠি...।।






বৰষা দুৱৰা
তৃতীয় ষাণ্মাসিক

# মৃত্যু

মৃত্যুৱে খেদি ফুৰা পথত,
জীৱন নামৰ অলিখিত সংজ্ঞা এটাই খামুচে
টুকুৰা টুকুৰা অস্তিত্বহীন বহু স্মৃতি
সুখৰ বাবে থাকক নিৰলস সাধনা ।
কান্ধত গধুৰ বুজা, মনটোৱে কয় আৰু নোৱাৰিছো,
সময়ে শিকাই, সময়ে বুজায়
নিৰন্তৰ জীৱন ।
মৃত্যু পথত খোজ দি,
সলাই জীৱন গতি ।



— নিবেদিতা মহন ।
প্ৰথম ষান্মাসিক

# শেষ উশাহ

আজি আছো, কাইলৈ হয়তো নাথাকিম।
মৰা নেকি পাহৰিবা অতীত বুলি ?
জীয়াই থাকোঁতেই অকণমান আদৰ বিচাৰো।
মৃত্যু যে অনিবাৰ্য,
সেয়াও যেন কোনোবাখিনিত পাহৰি পেলাওঁ।
শংকাগ্ৰস্ত কঁপিছো আজি।
কেনেকৈ মোহ এৰো এই সৌন্দৰ্যক ?
সেউজীয়াবোৰে দেখোন এতিয়া মোক
বেছিকৈ আকৰ্ষিত কৰিছে।
পোৱা হ'লে ক'ৰবাত আলাউদ্দিনৰ চাকিটি
উভতাই পালোহেঁতেন লৰালি কালটি।
কৰিলো হেঁতেন সৰু-সৰু দুষ্টামিবোৰ।
চিলা উৰুৱা, লুকা-ভাকু খেলা আৰু যে
এই দৰা-কইনা খেলি মাৰ চাদৰ চুৰ কৰি
দীঘলকৈ ওৰণি লোৱা হেঁপাহটি আৰু
তোমাৰ মৌন ওঁঠৰ হাঁহিটি....
উফ্.... আজি মোক হাত বাউলী মাতিছে।
অনৰ্গল শুনি আছো, মোক নাযাবি এৰি।
মই জানো খুজিছো যাব ?
মৃত্যুৰ সৈতে যুঁজি আছো।
এতিয়া বিচাৰিছো মোৰ চিতাৰ কাষত যেন
তোমাক দেখা পাওঁ।
কেতিয়াবা পেলাবা মনত মোৰ শুকান হৃদয়ত

তোমাকে দিয়া স্থানটি যে
ঘর নির্মাণ।

— অনন্যা কৌরব
পঞ্চম ষান্মাসিক



# স্মৃতি

আকৰ্ষণীয় উপন্যাস এখনৰ আৱৰ্তনিৰ শাৰীবোৰৰ দৰেই
তোমালোকে এক অসাধাৰণ যাত্ৰাত নামিছা
যিয়ে তোমাৰ চৰিত্ৰক সংজ্ঞায়িত কৰিব।
তোমাৰ বিশ্বাসক প্ৰত্যাহ্বান জনাব
আৰু স্থায়ী বন্ধুত্বক লালন-পালন কৰিব
আমাৰ মহাবিদ্যালয়খন এনে এক কেনভাছ
য'ত সৃষ্টিশীলতাই জ্ঞানৰ সৈতে নাচে,
আৰু জিজ্ঞাসাৰ অসমাপ্ত পৰিধিয়ে
বুদ্ধিৰ সৃজনশীলতা গঢ়ে।
সময়ৰ সোঁতৰ মাজতো নিজৰ অমলিন চিন এৰি
আমাৰ আগত এই পথেদি খোজ কাঢ়ি যোৱা
অসংখ্য পথিকৰ পদাংকৰে
প্ৰতিধ্বনিত এই গড়ুগাঁত।
তোমাৰ গল্পবোৰ এতিয়া অন্তঃসংলগ্ন হৈ পৰিছে,
একেলগে লিখা অধ্যায়বোৰ আজি
চিৰদিনৰ বাবে স্মৃতিত খোদিত হৈ থাকিব।

আকাংক্ষা বৰুৱা
প্ৰাক্তন ছাত্ৰী

# আবেলিৰ ৰঙা কৃষ্ণচূড়া

ক'লা ডাৱৰবোৰ কি আছিল
কোনো অচিন দেশলৈ
আবেলিৰ সেমেকা সোঁতত
উদাস উদাস মনা সেউজীয়া মাজত
কৃষ্ণচূড়া ফুলিছিল।
ডাৱৰবোৰলৈ চাই যেন আবেলিটো উচুপিছিল।
কংক্ৰিটেৰে ভৰা এই জীৱনটো
এসোপা গন্ধহীন কৃষ্ণচূড়া
বোকাৰ দৰে ক্ষিপ্ত দীৰ্ণ বিবৰ্ণ
দূৰ দিগন্তৰ বিয়পি থকা
শেঁতা পোহৰৰ মৰীচিকা।
জীৱনৰ সংজ্ঞাত মূলকি পাবে
অমৰত্ব এটা শুকান সৰাপাত
আবেলিৰো নিজস্ব ভাষা থাকে।
সেমেকা সেমেকা নিৰৱতাৰ মাজত
মৃদু মলয়াজাকত বহু বেদনা বৈ থাকে,
নীলিম আকাশখন বিয়পি পৰিছিল
কৃষ্ণচূড়াৰ সজীৱতাৰ মাজত।

ৰিপী আৰক্ষৰা
প্ৰাক্তন ছাত্ৰী

# অৱশেষ

আকাশৰ বিশালতাত শুকুলা ডাৱৰত
কলীয়া ডাৱৰৰ আগমন,
মেঘৰ আৰু বিষাদৰ মাদলটি
যেন একেলগে গৰজিব।
পাৰিব জানো বৃষ্টি টোপালে
তোমাৰ শিৰোনাম বোৱাব,
বান্ধ ভাঙি নামি অহা দুচকুৰ
অশ্ৰু মচিব পাৰিব জানো ?
আহিবা এদিন.....
বিষাদৰ এটি নিশা
উদযাপন কৰিম,
বুকুত বজা স্মৃতিৰ
সুৰ শুনিবা।
তুমি যেন এতিয়া
এটি হুমুনিয়াহ,
মোৰ উন্মুক্ত প্ৰেমৰ,
আহিবা এদিন.....
আমাৰ প্ৰেমৰ চিতা
জ্বলাবলৈ ॥



এলিমন বাইলুং
পঞ্চম ষান্মাসিক

# ধুমুহা

এজাক ধুমুহা আহিছিল কাল ধুমুহা
আৰম্ভ হৈছিল ধ্বংসলীলা
মোৰ চকুৰ সন্মুখতে ধুমুহাজাকে
তাজ পাতৰ দৰে মহাঁই পেলাইছিল
এখন ঘৰ ।
নিঃশব্দে সৰি পৰিছিল সপোনবোৰ
এসময়ত ধুমুহাজাক গ'লগৈ
শেষ হ'ল ধ্বংসলীলা
ৰৈ গ'ল মাত্ৰ এসাগৰ শূন্যতা
চকুৰ পানীবোৰ নিৰৱে সৰি পৰি ৰ'ল
ঠিক আধাতে ভেউকা ভাঙি পৰা
সপোনবোৰৰ দৰে ।
ধুমুহাই তছনছ কৰি পেলোৱা ঘৰখনত
বিয়পি পৰিছিল এসাগৰ শূন্যতা ।
মৃত প্ৰায় মানুহবোৰৰ মুখৰ পৰা
উঁহি অহা নাছিল
হাঁহি অথবা কান্দোনৰ শব্দ
কিন্তু মই শুনিছিলো
নিঃশব্দতাৰ মাজতো উঁহি অহা এটা শব্দ
হয় শব্দ, একাকী দুৰ্ভগীয়া মানুহৰ
ভগ্ন হৃদয়ৰ উচুপনিৰ শব্দ ।
শেষ বুলি ক'লেই শেষ
তাৰ পিছত মাত্ৰ, এসাগৰ শূন্যতা


আৰু শূন্যতাৰ লগত থাকি যায়
এবুকু স্মৃতি.......
কিছু হুমুনিয়াহ ।

— অন্বেষা পাটৰ
পঞ্চম ষান্মাসিক



# অনুভৱৰ স্বৰ





আমাৰ জীৱনৰ আটাইতকৈ ভাললগা সময়ছোৱাই হৈছে কলেজৰ জীৱন আৰু আটাইতকৈ ভয়লগা সময়ছোৱাই হৈছে আমাৰ প্ৰথম দিন, যেতিয়া আমি নতুন এটা পৰিৱেশৰ বাবে নিজকে প্ৰস্তুত কৰিব লাগে।

সকলোৰে দৰে মইয়ো বৃন্দাবনৰ সেই সুবাস লবলৈ অধীৰে বাট চাই আছিলো। মনত নতুন সহপাঠী, এটা নতুন পৰিৱেশ পোৱাৰ আশাৰ আনন্দ আৰু হেঁপাহ লৈ কলেজলৈ গৈছিলো। কলেজলৈ আহি আকৌতে সদায় মনত পৰিছে কলেজত জ্যেষ্ঠসকলো থাকিব, তেওঁলোকে যদি কিবা কয়, কি কৰিম! কিন্তু কলেজলৈ আহি যেতিয়া গম পালো, মই ভবাৰ দৰে জ্যেষ্ঠসকলেও কিজানি তেনেকৈয়ে ভাবিছিলে?

অধ্যাপকসকলৰ সহজ সৰল কথাৰ লগতে জ্যেষ্ঠসকলৰ দিয়া পৰামৰ্শ আৰু সহযোগ আজেৰে মোৰ এই বৃন্দাবনৰ নতুন যাত্ৰা এনেকৈয়ে আৰম্ভ হৈছিল।

সেইদিনা অধ্যাপকসকলৰ লগত চা-চিনাকী হৈ আগন্তুক দিনত আমি কেনেদৰে কি কৰিলে ভাল হ'ব, আমি পঢ়িবলগীয়া বিষয়সমূহৰ মূলমূলীয়া আভাস দি আমাক পুনৰ মহাবিদ্যালয়খনলৈ যাবলৈ অনুপ্ৰাণিত কৰিছিল।

প্ৰাঞ্জল বুঢ়াগোহাঁই
প্ৰথম ষাণ্মাসিক

পাহৰিম বুলিয়ে জানো কিছুমান কথা, কিছুমান স্মৃতি আৰু কোনোবা ব্যক্তিক পাহৰিব পাৰি... ? হয়তো নোৱাৰি..... সেই ব্যক্তিজনৰ সৈতে কটোৱা প্ৰতিটো পল - অনুপল, প্ৰত্যেকটো মুহূৰ্ত, প্ৰত্যেকটো কথা হয়তো তন্ন তন্নকৈ মনত থাকি যায় চিৰকালৰ বাবে আৰু সেইবোৰ কাহিনীয়েই হয়তো স্মৃতি হিচাপে সজীৱ হৈ থাকে আমাৰ জীৱন বাটৰ প্ৰতিটো খোজত। কি সেইবোৰ কাৰণৰ বাবেই কিছুমান কাহিনী শেষ হোৱাৰ পাছতো সদায়ে বিশেষ হৈ থাকি যায় চিৰদিনলৈ।

তুমি মই ভবাৰ দৰে হয়তো এই পৃথিৱীখন বহুত বেলেগ। সময়ৰ বুকুত সকলো সলনি হৈ যায়। হয়তো তুমি ভবাৰ দৰেই ময়ো সলনি হৈ গ'লো। থাকি গ'ল মাথো স্মৃতিবোৰ। সময়বোৰহে হৈ নাথাকিল; কিন্তু স্মৃতিবোৰতো তেনেকৈ থাকিল। মোৰ দেখা সপোনবোৰ সপোন হৈয়ে থাকিল। স্মৃতিবোৰ আজিও সজীৱকৈ সাঁচি থৈছো জানা। কাৰণ প্ৰতিয়া এই স্মৃতিবোৰেই যে মোৰ জীয়াই থকাৰ উৎস। তোমাৰ মনত আছেনে বাৰু, এদিন তুমি মোক সুধিছিলা যে, " মোক ইমানকৈ ভাল পোৱাৰ কাৰণটো কি ? " তেতিয়া মই তোমাক কৈছিলো, য'ত কাৰণ থাকে, তাত স্বাৰ্থ থাকে আৰু য'ত স্বাৰ্থ থাকে তাত অৱশ - ভালপোৱাবোৰ নাথাকে। নিঃস্বাৰ্থভাৱে ভালপাওঁ তোমাক। মনত পৰে তোমাৰ সৈতে পাৰ কৰা প্ৰতিটো মুহূৰ্ত। কেইবাৰ আমনি কৰি থাকে সেই স্মৃতিবোৰে।

সদায়ে চিৰস্মৰণীয় হৈ ৰ'ব আমাৰ এই স্মৃতিবোৰ। ভাললগা এনেদৰে ভাল লগা হৈ থাকক, জীৱন বাটৰ ডায়েৰি মনৰ প্ৰতি-খন পৃষ্ঠাত সজীৱ হৈ থাকক সেই স্মৃতিবোৰ। শেষত তোমাৰ প্ৰয়োজন হিচাপে নহয়, প্ৰিয়জন হৈ থাকিব বিচাৰো তোমাৰ

জীৱনত চিৰদিন চিৰকাললৈ ।

কনিষ্ঠ মিলি
তৃতীয় ষান্মাসিক



বন্ধ বুলি কলেই শৈশৱৰ দিনৰ পৰা বৰ্তমানৰ কলেজীয়া দিনবোৰে মোৰ মনত বিভিন্ন ধৰণৰ স্মৃতি সজীৱ হৈ উঠে। সেয়ে বন্ধ বুলি কলে সকলো ল'ৰা-ছোৱালীৰ মনত এটাই আনন্দ। মামাৰ ঘৰলৈ যাম, মইও ইয়াৰ ব্যতিক্ৰম নাছিলো আৰু এতিয়াও নহয়। কলেজীয়া জীৱনৰ ব্যস্ততা সামৰি আগবাঢ়োতে সময়ে এই সৰু সৰু হেঁপাহবোৰ আঁতৰাই লৈ গৈছিল। এই ব্যস্ততাদায়ক সময়ে আত্মীয় স্বজনৰ ঘৰলৈ যাবলৈ সুযোগ দিয়া নাছিল। সেইয়েহে, এইবাৰ বহুদিনৰ মূৰত মই দ্বিতীয় ষাণ্মাসিকৰ পৰীক্ষা শেষ কৰি মামাৰ ঘৰলৈ যাম বুলি থিৰাং কৰিছিলো। সেইদিনা আছিল দেওবাৰ, কুকুৰা ডাকত টোপনিৰ পৰা চকু মেলিয়েই মই এক সুখৰ শিহৰণ অনুভৱ কৰিছিলো। সেইদিনা পুৱাৰ পৰাই মোৰ মনটো মামাৰ ঘৰলৈ বহুদিনৰ মূৰত যাম বুলি হেঁপাহেৰে উৎফুল্লিত হৈ আছিল। বিচনাৰ পৰা উঠি নিত্য কাৰ্য কৰি আজৰি হওঁ মানে ৪ মানেই সময় হৈছিল। মোৰ নিজৰ লাগতিয়াল বস্তু সামৰি মাক মাত লগাই ন'মান বজাত মই মামাৰ ঘৰলৈ ওলাই আহিছিলো। শিৱসাগৰৰ বৰকতা নেমুগুৰি নামৰ এক অঞ্চলত মোৰ মামাৰ ঘৰ।

মোৰ মামাৰ ঘৰখন ভাল লগাৰ বহু কাৰণ আছিল। দুইকাষৰ ধাননি পথাৰ, দীঘলীয়া পদূলি, শাৰী শাৰীকৈ থকা তামোল গছবোৰে গাঁওখনৰ পৰিবেশ আৰু মনোমোহা

কৰি তোলে। যিটো মোৰ খুবেই প্ৰিয়। কথাবোৰ ভাবি ভাবি কেতিয়া মই আমাৰ ঘৰৰ পদূলি পালেহি গমেই নাপালো। নঙলামুখ খুলি আমাহঁতৰ ঘৰৰ পদূলিত ভৰি দিয়েই মই এক অনাবিল সুখ অনুভৱ কৰিছিলোঁ। বহুদিনৰ মূৰত যিহেতু আপোন মানুহবোৰৰ লগ পাইছিলো। এনাই সে সেইদিনাও চোতালত থিয় হৈ মোৰ বাবে বাট চাই বৈ আছিল। সকলো এনেকৈ আছিল। সময়ে একো সলনি কৰিব পৰা নাছিল। মামাই মই ভালপোৱাবোৰ বিধে বিধে বনাইছিল। মামীয়ে তাঁত লগাবলৈ শিকাইছিল আৰু এনাইয়ে সৰু কালৰ দৰে শুৱাৰ সময়ত মূৰত হাত বোলাই আছিল। আমাৰ মাজত বহু কথা-বতৰা হৈছিল। মামীৰ লগত পিছবেলা সময়ত চুবুৰীয়া ইঘৰ-সিঘৰলৈ ওলাই গৈছিলো। সেই দিনকেইটাত মোৰ ভাল লগা সকলোবোৰ পাইছিলো। আজৰি সময় পালে ইন্টাৰনেটৰ পৃথিৱীখনত সোমাই পৰা মইজনীয়ে চোন। সেই আমাৰ ঘৰত থকা দিনকেইটা মোবাইলটোৰ কথাই ছুপা নাছিলো। সময় যিহেতু বৈ নাথাকে কেতিয়ানো পাঁচটা দিন পাৰ হৈ গ'ল, ধৰিবই নোৱাৰিলো। ৰাতিপুৱাই শুই উঠি নামঘৰত জ্বলোৱা চাকি গছৰ তলত মোৰ দোৱাই মই তেওঁলোকৰ দীৰ্ঘায়ু কামনা কৰি পুনৰ একে বাটে ঘৰলৈ বুলি ওলাইছিলো আহিবৰ পৰত এনাইয়ে মূৰত হাত বোলাই জীৱন বাটত আগুৱাই যোৱা বুলি আশীৰ্বাদ কৰিছিল। আৰু মইও তেওঁলোকৰ চৰণ চুই পুনৰ অতি কম সময়ৰ ভিতৰত লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে, কিন্তু

নয়নেৰে হৈতে মই মোৰ ঘৰৰ অভিমুখে আগবাঢ়িলো। অৱশেষত মই মোৰ অভিজ্ঞতা পৰা কওঁ যে সময় পালে সকলো নিজৰ আত্মীয় স্বজনৰ কাষলৈ যোৱাটো উচিত। কাৰণ সময়ৰ সোঁতত আমাৰ মাজৰ পৰা সম্পৰ্ক আৰু আত্মীয়তাসমূহ একেবাৰে নোহোৱা হৈ পৰা দেখা গৈছে। আজিকালি প্ৰায় সকলোৱে ইন্টাৰনেটৰ যুগত কেৱল মোবাইল ফোন, ভিডিঅ' গেমছ, সামাজিক মাধ্যমৰ মাজত নিজক আবদ্ধ কৰি ৰাখে, কিন্তু সেইয়া নকৰি বা কমকৈ কৰি আমি যদি আমাৰ আত্মীয় সকলক অকমান সময় দিওঁ আমি আমাৰ জীৱনৰ বহু ভাল লগা কিবা-কিবি লাভ কৰিব পাৰিম।




ময়ূৰাক্ষী ফুকন
তৃতীয় ষাণ্মাসিক

# নীলা খামৰ চিঠি



মৰমৰ প্ৰেয়সী

মোৰ প্ৰেম, মোৰ সুখ, কি বুলি লিখো তোমালৈ! কেনেকৈ কওঁ যে কিমান গভীৰ এই প্ৰেম, তোমাৰ ভাল পোৱাৰ অবিহনে কেনেকৈ মই উশাহ লব পাৰিম, কেনেকৈ বুজাই দিওঁ তোমাক লৈ মোৰ কিমান সপোন, মোৰ সপোনত কেৱল তুমিয়েই তুমি। কেনেকৈ বুজাই দিওঁ কিমান কাষত বিচাৰো তোমাক, তোমাৰ হাতখন হাতত লৈ ক'ব বিচাৰো যে তুমিয়েই মোৰ মনৰ আকাশ ব্যাপী আছা শুকুলা মেঘ হৈ, তোমাকেই পাওঁ যতেই যাওঁ কিয়, তোমাৰ কথাবোৰ মনলৈ আহে ধৰিবহে নোৱাৰো। নিলিখো বুলি ভাবিও আজি তোমালৈ চিঠিখন লিখিলো, চিঠিখন পাই হয়তো তোমাৰ খঙেই উঠিব আৰু কেতিয়াও এইবোৰ কৈ তোমাক আমনি নকৰো। অতীতৰ স্মৃতিবোৰে আজিও মোক বৰকৈ আমনি কৰে। শুনা, এইখনেই তোমালৈ মোৰ শেষ চিঠি, যেতিয়ালৈকে তুমি এই চিঠিখন পাবা তেতিয়ালৈকে মই হয়তো তোমাৰ পৰা বহু দূৰলৈ আঁতৰি যাম। কিন্তু এটা কথা কৈ যাওঁ যে মই তোমাৰে আছিলো আৰু তোমাৰেই হৈ থাকিম। সদায় তোমাৰেই। কেৱল তোমাৰেই।



ইতি

তোমাৰ প্ৰেমিক

\- নিলাভ কৌশিক কোঁৱৰ

তৃতীয় ষাণ্মাসিক

'অ' জোন ওলাই আহাচোন...

আঁউসী মানেইটো জোন অহাৰ প্ৰতিশ্ৰুতি। মনৰ পোহৰত হাতত কলমটো তুলি লৈ আঁউসীৰ এটা সন্ধিয়াত তোমাৰ ভাবনাত। কিন্তু হাতত কলমটো তুলি লৈও হৃদয়ৰ অভিধানত শব্দ বিচাৰি পোৱা নাই মই। মানুহে কয় প্ৰেম হেনো এবাৰেই হয় কিন্তু মই দেখোন বাৰেই বাৰেই প্ৰেমত পৰো আৰু প্ৰত্যেকবাৰেই কেৱল তোমাৰ প্ৰেমত। এষাৰ কথা আছে নহয়- "ভালপোৱা বস্তুবোৰ দূৰৰ পৰাই চাই ভাল লাগে, টানি-আঁজোৰি আনিব খুজিলে সম্পৰ্কবোৰ ঠেহ লাগে।" নিশা আকাশৰ দৰেই তোমাকো দূৰৰ পৰাই চাই সন্তুষ্টি লাভ কৰো। অমানিশাৰ এটি সন্ধিয়াত আহিবাচোন জোনাকী পৰুৱাটো হৈ, বাস্তৱত নহ'লেও সপোনত আহি অলপ মৰম যাচিবা।

প্ৰেম মানেই জানো প্ৰাপ্তি; অপ্ৰাপ্তিৰ মাজতো দেখোন গভীৰ নিৰৱ ভালপোৱা সোমাই থাকে। ইয়াৰ বাবে মোৰ আক্ষেপ নথকাও নহয়। কেতিয়াবা মোৰ এনে অনুভৱ হয় যেন মই মমজলৰ দৰেই নুমাবলৈ ইচ্ছা নাথাকিলেও নুমাবলৈ বাধ্য। কিয়নো মমজল গলি যোৱাৰ পিছতো দেখোন তাৰ অস্তিত্ব সদায়েই ৰৈ যায়। ঠিক তেনেদৰে মোৰ প্ৰেমে মোৰ হৃদয়ত প্ৰত্যেকটো কোণতে কেৱল সেই বিশেষজনৰ নাম "তুমি"।

জানা কেতিয়াবা মোৰ তোমাক ব্যক্ত কৰিব মন যায় মোৰ মনৰ মাজত চলি থকা সেই নীৰৱ ধুমুহাজাকৰ কথা কেতিয়াবা তোমাৰ সেই অন্যমনস্ক চকুযুৰিয়েও মোৰ হৃদয়ত বনজুই জ্বলাই। কৈ দিব মন যায় নীৰৱ ধুমুহাজাকৰ কথা, ভাল লাগে উত্তৰত যদি নিমাত হৈ ৰোৱা। কেনেদৰে


সেই নিৰৱতা কথা অহিম, কেনেদৰে সেই যন্ত্ৰণা অহিম, ভয় লাগে মোৰ। নাজানো কিমান বুকুত ভালপোৱা থাকিলে এনেকৈয়ে প্ৰেম কৰা সম্ভৱ। মোৰ প্ৰেম অসম্পূৰ্ণ হব পাৰে কিন্তু মোৰ প্ৰেম ইমান দুৰ্বল নহয়। মোৰ প্ৰেম সদায় অসীম। মোৰ প্ৰেম সদায় তোমাৰ বাবে ভালে থাকা।

তুমি অহা বাটেৰে গোলাপ ফুলে....

তোমাৰ (......)



# চিত্রকলা



Mammoth



Dodo bird



Saber toothed tiger



Glyptodon



Tasmanian tiger

# Butterflies in India



COMMON TIGER



BLUE MORMON



COMMON CROW



CRIMSON ROSE



COMMON GRASS YELLOW



INDIAN AWLKING



HUDGE BLUE



PUNCHINELLO



COMMON RAVEN.



COMMON TREE BROWN.



GREAT WINDMILL



COMMON JEZEBEL



King kobra
Ophiophagus hannah



Rusell's Viper
Dabria russelli



Common Krait
Bungarus caerulens



Python
Python bivittatus



Green Keelback
Rhabdophis plumbicolor

# ক্ষমা প্ৰাৰ্থনা

গড়গাঁও মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ প্ৰথম সংখ্যক হাতে লিখা আলোচনী 'কোৰেবেক্ৰিয়া'ৰ সম্পাদনাৰ ক্ষেত্ৰত অজানিতে হৈ যোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে পাঠক সমাজৰ ওচৰত আমি ক্ষমা প্ৰাৰ্থী। আমাৰ সৰ্বাংগীয়া প্ৰচেষ্টা 'কোৰেবেক্ৰিয়া' খনিক সকলোৱে আদৰি ল'লে আমি কৃতাৰ্থ হ'ম।

সম্পাদনা সমিতি




কুব্ৰেৰেঙ্কিয়া
• প্ৰথম সংস্কৰণ